দ্বিতীয় অধ্যায়

# দৈহিক আৰু মানসিক বিকাশ
# (Physical and Mental Development)

- দৈহিক বিকাশৰ বৈশিষ্ট্যবোৰ (**Characteristics of Physical Development**)
- মানসিক বিকাশৰ বৈশিষ্ট্যবোৰ (**Characteristics of Mental Development**)
- দৈহিক আৰু মানসিক বিকাশৰ শৈক্ষিক তাৎপৰ্য (**Educational Implications of Physical and Mental Development**)

## প্ৰস্তাৱনা (Introduction)

কিশোৰ-কিশোৰীৰ দৈহিক বিকাশৰ বিষয়ে অধ্যয়ন কৰাৰ ওপৰত অতীতত গুৰুত্ব দিয়া নহৈছিল কিয়নো মনোবিজ্ঞানী আৰু অন্যসকলে মানসিক, সামাজিক আৰু আৱেগিক বিকাশত ইয়াৰ প্ৰভাৱৰ বিষয়ে সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল। লাহে লাহে মনোবিজ্ঞানৰ বিভিন্ন গৱেষণাবোৰে এই সিদ্ধান্তত উপনীত হয় যে ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশত কিশোৰ-কিশোৰীৰ দৈহিক বিকাশৰ বৰঙণি লেখতল'বলগীয়া। দৈহিক বা শাৰীৰিক বিকাশে কিশোৰ-কিশোৰীৰ সৰ্বাংগীন বিকাশত ব্যাপক প্ৰভাৱ পেলায়। কিশোৰ-কিশোৰীৰ আৱেগিক, সামাজিক আৰু মানসিক বিকাশ আদি দৈহিক বিকাশৰ লগত গভীৰভাৱে জড়িত। যদি দৈহিক বিকাশ সুস্থভাৱে নহয় তেন্তে কিশোৰ-কিশোৰীৰ নীচাত্মিকা আৰু অন্যান্য জটিলতাবোৰ বৃদ্ধি পাব আৰু আৱেগিক বিকাশো বাধাগ্ৰস্ত হ'ব। ইয়াৰ ফলত সামাজিক বিকাশো ফলপ্ৰসূ নহ'ব। গতিকে ক'ব পাৰি যে কিশোৰ-কিশোৰীৰ দৈহিক বিকাশ আন আন বিকাশৰ দিশবোৰৰ লগত গভীৰভাৱে সম্বন্ধিত।

## দৈহিক বিকাশৰ বৈশিষ্ট্যবোৰ (Characteristics of Physical Development)

কৈশোৰ-কিশোৰীৰ দৈহিক বৃদ্ধি তেওঁলোকৰ আৱেগিক, মানসিক আৰু সামাজিক বিকাশৰ লগত

সম্বন্ধযুক্ত। যদি দৈহিক বৃদ্ধি সন্তোষজনক নহয়, তেন্তে ই আনবোৰ বিকাশৰ দিশকো প্ৰভাৱিত কৰিব।

কৈশোৰ কালৰ দৈহিক বৃদ্ধিক দুই ভাগত আলোচনা কৰিব পাৰি। যেনে—(ক) বাহ্যিক বৃদ্ধি (External Growth) আৰু (খ) আভ্যন্তৰীণ বৃদ্ধি (Internal Growth)। তলত এই দুই প্ৰকাৰৰ বৃদ্ধিৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

## বাহ্যিক বৃদ্ধি (External Growth) :

কৈশোৰ কালৰ দৈহিক বৃদ্ধিৰ বাহ্যিক দিশবোৰ তলত আলোচনা কৰা হ'ল —

**(১) উচ্চতা (Height) :** ব্যক্তি এজনৰ সমগ্ৰ জীৱনৰ পৰিক্ৰমাত কৈশোৰ কালতে উচ্চতা দ্ৰুতগতিত বৃদ্ধি হয়। লিংগভেদে ব্যক্তিৰ দৈহিক উচ্চতাৰ বৃদ্ধি ভিন ভিন হয়। আগতীয়া কৈশোৰকালত ল'ৰাৰ দৈহিক উচ্চতা বৃদ্ধি মন্থৰ গতিত হয় আৰু ছোৱালীৰ দ্ৰুত গতিত হয়। শেহতীয়া কৈশোৰকালত ল'ৰাৰ দৈহিক উচ্চতা দ্ৰুতগতিত বৃদ্ধি হয় আৰু ছোৱালীৰ মন্থৰ হয়। ল'ৰাৰ দৈহিক উচ্চতা প্ৰায় ২০/২১ বছৰ বয়সত পূৰ্ণ হয় আৰু ছোৱালীৰ ১৭/১৮ বছৰ বয়সত পূৰ্ণ হয়।

**(২) ওজন (Weight) :** হাড় আৰু মাংসপেশীৰ বিকাশৰ লগে লগে কিশোৰ-কিশোৰীৰ ওজনো বৃদ্ধি হয়। বাল্যকালত দেহৰ মেদবহুলতাৰ বাবে ল'ৰা-ছোৱালীৰ ওজন বৃদ্ধি হয় কিয়নো সেই সময়ত সিহঁতৰ হাড় আৰু মাংসপেশীৰ বিকাশ সম্পূৰ্ণ নহয়। প্ৰাক্-কৈশোৰকালৰ সময়ৰ পৰা হাড় আৰু মাংসপেশীৰ বিকাশ আৰম্ভ হয় আৰু মেদবহুলতা কমিবলৈ ধৰে। বাল্যকালত ছোৱালীতকৈ ল'ৰাৰ ওজন অধিক হয়, কিন্তু ১০ ৰ পৰা ১৫ বছৰৰ সময়ছোৱাত ল'ৰাতকৈ ছোৱালীৰ বয়স বৃদ্ধি হয়। ১৫ বছৰৰ সময়ছোৱাত ল'ৰাতকৈ ছোৱালীৰ বয়স বৃদ্ধি হয়। ১৫ বছৰৰ পিছত আকৌ ছোৱালীতকৈ ল'ৰাৰ ওজন বৃদ্ধি হয়।

**(৩) মূৰ আৰু মুখ (Head and Face) :** বিজ্ঞানীসকলে মতপোষণ কৰে যে তিনি বছৰ বয়সত প্ৰাপ্তবয়স্ক ব্যক্তিৰ তুলনাত শিশুৰ মূৰৰ আকৃতি ৮৬ শতাংশ হয়, ছয় বছৰৰ বয়সত ৯০ শতাংশ হয় আৰু চৈধ্য বছৰ বয়সত ৯৪/৯৫ শতাংশ হয়। ইয়াৰ উপৰিও কৈশোৰ কালত ব্যক্তিৰ মুখৰ আকৃতিও ব্যাপকভাৱে পৰিবৰ্তিত হয়।

**(৪) দেহৰ আকাৰ (Body Proportion) :** কৈশোৰ কালত ব্যক্তিৰ দেহৰ আকাৰ দ্ৰুতগতিত পৰিবৰ্তন হয়। ১৪ ৰ পৰা ১৬/১৭ বছৰ বয়সত ব্যক্তিৰ বুকুৰ বিকাশ দ্ৰুতগতিত হয়। ইয়াৰ উপৰিও ভৰি আৰু বাহুৰ বিকাশো এই স্তৰত দ্ৰুতগতিত হয়। আকৌ পেশীসমূহৰ বৃদ্ধিয়ে ল'ৰা-ছোৱালীৰ দেহ

গঠনৰ অনুপাতক ৰক্ষা কৰি দেহৰ ওপৰ অংশ আৰু নিম্ন অংশৰ মাজত ভাৰসাম্য স্থাপন কৰে। ইয়াৰ উপৰিও কৈশোৰ কালত ল'ৰা-ছোৱালীৰ দৈহিক উত্তাপ বৃদ্ধি পায়। ছোৱালীৰ মুখ মসৃণ আৰু উজ্জ্বল হয়। ল'ৰাৰ মুখৰ ছাল ডাঠ হয়, মুখত দাড়ি-গোঁফ গজে, অন্যান্য অংশত চুলি গজিবলৈ ধৰে আৰু মাত কৰ্কশ হয়।

**(৫) যৌনাংগৰ বৃদ্ধি (Growth of Sex Organs) :** কৈশোৰ কালৰ দৈহিক বৃদ্ধিৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল যৌনাংগৰ বৃদ্ধি। ছোৱালী ঋতুমতী হোৱা আৰু ল'ৰাৰ মুখত দাড়ি গজা আৰু মাত সলনি হোৱা আদিৰ পৰা যৌৱনাৰম্ভৰ কথা জানিব পাৰি। ল'ৰা-ছোৱালীয়ে এই সময়ছোৱাত প্ৰজনিক ক্ষমতা লাভ কৰে। ল'ৰাবোৰ বীৰ্যধাৰী হৈ উঠি শুক্ৰকীট ক্ষৰণ কৰে। ঋতুমতী হোৱা বাবে ছোৱালীৰ ডিম্বাণু কোষ গঠিত হয়। যৌন অংগবোৰে পূৰ্ণতা লাভ কৰিলেও যৌন-ক্ৰিয়াৰ বাবে প্ৰয়োজনীয় পৈণতা ল'ৰা-ছোৱালীয়ে এই স্তৰত লাভ কৰি উঠিব নোৱাৰে।

**(৬) আগতীয়া কৈশোৰ কালৰ দ্ৰুত বিকাশ (Fast Speed of Development in Early Adolescence) ঃ** কৈশোৰ কালছোৱাত শৈশৱ কালৰ দৰে দৈহিক বিকাশ দ্ৰুততৰ হোৱা দেখিবলৈ পোৱা যায়। তেৰ বছৰ বয়সত ছোৱালীৰ উচ্চতা ল'ৰাতকৈ ১/৩ ইঞ্চি বৃদ্ধি হয় আৰু ১৫ বছৰ বয়স এই উচ্চতা সম পৰ্যায়ৰ হয়। ইয়াৰ পিছত ল'ৰাৰ উচ্চতা বৃদ্ধিৰ প্ৰৱণতা দ্ৰুত হয়। ১৮ বছৰ বয়সত ল'ৰাৰ উচ্চতা ছোৱালীতকৈ ২১/২ ৰ পৰা ৩ ইঞ্চি বৃদ্ধি হয়।

**(৭) মধ্য শৰীৰ (Trunk) ঃ** ১৪ বছৰৰ পৰা ১৬/১৭ বছৰ বয়সৰ ভিতৰত বুকুৰ বিকাশ অধিক দ্ৰুতগতিত হোৱা দেখা যায়। কৈশোৰ কাল শেষ হোৱাৰ সময়লৈকে দেহৰ মধ্যভাগৰ আকাৰ বাল্যকালৰ তুলনাত তিনিগুণ মান বৃদ্ধি হয়। কঁকাল অংশ কৈশোৰ কালত দেখা পোৱা হয়। এই সময়ছোৱাত ছোৱালীৰ তুলনাত ল'ৰাৰ বিকাশ এবছৰ মান আগতীয়া হয়।

**(৮) ভৰি আৰু বাহু (Legs and Arms) ঃ** বাল্য কালছোৱাত ভৰি আৰু বাহু সৰু হৈ থাকে। কৈশোৰ কালত এইবোৰ চাৰিগুণে বৃদ্ধি পায় আৰু মধ্য শৰীৰতকৈও দীঘলীয়া হয়। আগতীয়াকৈ পৰিপক্কতা লাভ কৰাবোৰৰ ভৰি শৰীৰ মধ্য অংশতকৈ চুটি হয়। যিবোৰ পৰিপক্কতা পলমকৈ আহে সেইবোৰৰ ভৰিবোৰ মধ্য শৰীৰৰ তুলনাত দীঘল হোৱা পৰিলক্ষিত হয়। কৈশোৰ কালত বাহুবোৰ লক্ষণীয়ভাৱে বৃদ্ধি হয়। আগতীয়া পৰিপক্কতা লাভ কৰা ব্যক্তিসকলৰ বাহুবোৰ অলপ চুটি হোৱা পৰিলক্ষিত হয়।

**(৯) হাঁড় (Bones) ঃ** কৈশোৰ কালছোৱাত হাড়ৰ বিকাশ অধিক বেছি হোৱা পৰিলক্ষিত হয়। কিশোৰ-কিশোৰীৰ ভৰিৰ হাড় দুই ইঞ্চিলৈ বৃদ্ধি হয়। মুখৰ আকাৰ ডাঙৰ হয় যাৰ কাৰণ হ'ল হাঁড়ৰ

বিকাশ। বাল্যকালত হাঁড়বোৰ দুৰ্বল আৰু কোমল হৈ থাকে। কৈশোৰ কালত এইবোৰ শক্তিশালী আৰু কঠিন হয়। ১৭ বছৰ বয়সত ছোৱালীৰ দেহৰ কংকাল সম্পূৰ্ণৰূপে বিকশিত হয়। ইয়াৰ বাবে ল'ৰাক আকৌ ২ বছৰ বেছি সময়ৰ প্ৰয়োজন হয়। ১৯ বছৰ বয়সতহে ল'ৰাৰ দেহ-কংকাল সম্পূৰ্ণভাৱে বিকশিত হয়। কংকালৰ বিকাশৰ লগত জৈৱিক অংশবোৰৰ বিকাশ সম্বন্ধিত হৈ থাকে। এই দুয়োটাই সমান্তৰালভাৱে পৰিপক্কতা লাভ কৰে।

**(১০) মাংসপেশী (Muscles) ঃ** হাড়ঁৰ বিকাশৰ লগত মাংসপেশীৰ বিকাশো প্ৰয়োজনীয়। কৈশোৰ কালত মাংসপেশীৰ বিকাশ দ্ৰুতগতিত হোৱা দেখা যায়। মাংসপেশীৰ বিকাশৰ বাবে দেহৰ ওজন বাঢ়ে আৰু দেখিবলৈ দেহটো সুন্দৰ হৈ পৰে। ৮ বছৰ বয়সত সম্পূৰ্ণ দেহৰ ওজনৰ ভিতৰত মাংসপেশীৰ ওজন ২৭% হয়। ১৫ বছৰ বয়সত এই ওজন ৩২% হয় আৰু ১৬ বছৰ বয়সত ৪৪% হয়। যদি হাড়ঁৰ লগত মাংসপেশীৰ বিকাশৰ মিল নাথাকে তেতিয়া দেহটো দেখিবলৈ কুৰূপ হৈ পৰে। ল'ৰাৰ তুলনাত ছোৱালীয়ে কমকৈ কায়িক শ্ৰম কৰে যাৰ ফলশ্ৰুতিত ল'ৰাৰ তুলনাত ছোৱালীৰ মাংসপেশীৰ বিকাশ কমকৈ হয়।

## আভ্যন্তৰীণ বৃদ্ধি (External Growth) :

**(১) হৃৎপিণ্ড (Heart) :** কৈশোৰ কালত হৃৎপিণ্ডৰ আকাৰ আৰু আকৃতি ব্যাপকভাৱে বৃদ্ধি পায়। বাৰ বছৰ বয়সত হৃৎপিণ্ডৰ আকাৰ জন্মৰ সময়তকৈ সাতগুণ আৰু সোতৰ বা ওঠৰ বছৰ বয়সত বাৰগুণ বৃদ্ধি হয়। ১০ ৰ পৰা ১৩ বছৰ বয়সৰ সময়ছোৱাত ল'ৰাতকৈ ছোৱালীৰ ৰক্তছাপ বৃদ্ধি হয়। ইয়াৰ পিছত ল'ৰাৰ ৰক্তছাপ লাহে লাহে বৃদ্ধি হৈ ১৬ বছৰ বয়সৰ পিছত ছোৱালীতকৈ অধিক বৃদ্ধি হয়।

**(২) হাওঁ-ফাওঁ (Lungs) :** কৈশোৰ কালৰ আৰম্ভণিৰ সময়ৰ পৰা হাওঁ-ফাওঁৰ বিকাশ দ্ৰুতগতিত হোৱা দেখা যায়। হাওঁ-ফাওঁৰ বিকাশ বুকুৰ বিকাশৰ লগত জড়িত হৈ থাকে আৰু এই দুয়োটাই একেলগে বিকাশ লাভ কৰে। শ্বাস-প্ৰশ্বাসৰ ক্ষমতাই এই কালত পৈণতা লাভ কৰে আৰু হাওঁ-ফাওঁৰ দক্ষতাও বৃদ্ধি হয়। কৈশোৰ কালৰ মাজৰ সময়ছোৱাত ছোৱালীৰ তুলনাত ল'ৰাৰ হাওঁ-ফাওঁৰ আকৃতি ডাঙৰ হয়। পৰৱৰ্তী সময়ত ছোৱালীৰ হাওঁ-ফাওঁৰ আকৃতিও ডাঙৰ হয়।

**(৩) পাচক যন্ত্ৰ (Digestive Organs) :** সকলো ধৰণৰ পাচক যন্ত্ৰই কৈশোৰ কালত যথোপযুক্তভাৱে বিকশিত হয়। পাচক যন্ত্ৰৰ বিকাশ হোৱা বাবে ইয়াৰ ক্ৰিয়া-ক্ষমতা বৃদ্ধি পায় আৰু ল'ৰা-ছোৱালীক এই স্তৰত অধিক খাদ্যৰ প্ৰয়োজন হয়। হাওঁ-ফাওঁৰ আকাৰ বৃদ্ধি হোৱা বাবে তেওঁলোকে অধিক পৰিমাণে খাদ্য খাব পৰাও হয়।

**(৪) স্নায়ুতন্ত্ৰ (Nervous System) :** বাল্যকালত মনৰ বিকাশ দ্ৰুতভাৱে হোৱা দেখা যায়। কৈশোৰ কালৰ আৰম্ভণিৰ লগে লগে ই চৰম স্তৰত উপনীত হয় আৰু ইয়াৰ লগত জড়িত সকলো স্নায়ুৰে বিকাশ হয়। এই সকলোবোৰ বিকাশৰ বাবে কৈশোৰ কালৰ মানসিক বিকাশ লেখতল'বলগীয়া। এইটো পৰ্যবেক্ষণ কৰা যায় যে কিশোৰী-কিশোৰীৰ মানসিক কৌতুহল কৈশোৰ কালত বৃদ্ধি হয় আৰু তেওঁলোকৰ চিন্তন আৰু যুক্তি শক্তিও বৃদ্ধি পায়। কৈশোৰ কালত ব্যক্তিৰ বিভিন্ন গ্ৰন্থি যেনে—সনালী গ্ৰন্থি, অনালী গ্ৰন্থি, গলগ্ৰন্থি, যৌনগ্ৰন্থি, পিটুইটাৰী গ্ৰন্থি আদি সক্ৰিয় হৈ উঠে। কৈশোৰ কালত ব্যক্তিৰ এই অন্তঃক্ষৰা গ্ৰন্থিবোৰৰ জৈৱ-ৰাসায়নিক প্ৰক্ৰিয়াৰ অধিক পৰিবৰ্তন সাধন হয়।

**(৫) খাদ্য (Foods) ঃ** দেহৰ হাত আৰু ভৰিৰ বিকাশৰ বাবে কিশোৰ-কিশোৰীক পুষ্টিকৰ খাদ্যৰ অধিক প্ৰয়োজন হয়। কৈশোৰ কালত ল'ৰাৰ ভোকৰ পৰিমান বৃদ্ধি হয়। সাধাৰণতে এজন প্ৰাপ্তবয়স্ক ব্যক্তিৰ তুলনাৰ কিশোৰ-কিশোৰীয়ে দুগুণ খাদ্য খায়। গৰ্ভৱতী মহিলাৰ দৰে কিশোৰ-কিশোৰীসকলেও বিভিন্ন প্ৰকাৰৰ খাদ্য খাই ভাল পায়। খাদ্যাভাসৰ ক্ষেত্ৰত সিহঁত অনুশাসিত হোৱা দেখা নাযায়।

কৈশোৰ কালত ল'ৰা-ছোৱালীৰ বাহ্যিক আৰু আভ্যন্তৰীণ দৈহিক বৃদ্ধিৰ লগত ঘনিষ্ঠভাৱে জড়িত আন এক দিশ হ'ল সঞ্চালনমূলক যোগ্যতা (motor ability)। দৈহিক বৃদ্ধিৰ লগত সঞ্চালনমূলক যোগ্যতা ঘনিষ্ঠভাৱে জড়িত। কৈশোৰ কালত ল'ৰা-ছোৱালীৰ দেহৰ মাংসপেশীবোৰ গঠন সম্পূৰ্ণ হয় আৰু তাৰ শক্তি আৰু কৰ্মক্ষমতা বৃদ্ধি পায়। হাত দুখনৰ মুঠিমৰা শক্তি, সঞ্চালনৰ দ্ৰুততা আৰু সঠিকতা, ক্ৰিয়া-কৌশল আৰু ক্ৰিয়া পটুটা, সঞ্চালনৰ নিয়ন্ত্ৰণ আদি সঞ্চালনমূলক যোগ্যতা প্ৰশিক্ষণৰ যোগেদি বিকশিত হয়। এই বিকাশৰ বাবে কৈশোৰ কালত ল'ৰা-ছোৱালী বিকাশ আন স্তৰৰ তুলনাত অধিক সক্ৰিয়, কৰ্মক্ষম আৰু গঠনক্ষম হয়। পেশী তথা গতিশক্তিযুক্ত ক্ৰিয়া-কলাপত ছোৱালীতকৈ ল'ৰাৰ উপযুক্ততা অধিক। সঞ্চালনমূলক ক্ৰিয়াৰ যোগেদি ব্যক্তিয়ে নিজৰ শাৰিৰীক বৃদ্ধিক সন্তোষজনক কৰি তুলিব পাৰে।

কৈশোৰ কালৰ দৈহিক বৃদ্ধিৰ বিষয়ে ওপৰত কৰা আলোচনাৰ পৰা দেখা গ'ল যে কৈশোৰ কালত দৈহিক বৃদ্ধি সমৰূপত নহয়। কেতিয়াবা কিছুমান অংগৰ বিকাশ বেছিকৈ হয় আৰু কেতিয়াবা কমকৈ হয়। কেতিয়াবা ল'ৰাৰ দৈহিক বৃদ্ধি দ্ৰুত গতিত হোৱা দেখা যায় আৰু কেতিয়াবা ছোৱালীৰ দৈহিক বৃদ্ধি দ্ৰুগতিত হোৱা দেখা যায়।

আগৰ সময়ছোৱাত কিশোৰ-কিশোৰীৰ দৈহিক বৃদ্ধিৰ বিষয়ে আলোচনা কৰাত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল কাৰণ ব্যক্তিৰ মানসিক, সামাজিক আৰু আৱেগিক বিকাশত দৈহিক বৃদ্ধিৰ প্ৰভাৱ সম্বন্ধে মনোবৈজ্ঞানিক আৰু অন্যান্য ব্যক্তিসকল নিশ্চিত নাছিল। পৰৱৰ্তী সময়ছোৱাত সকলোৱে অনুভৱ কৰিলে যে ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশত দৈহিক বৃদ্ধিৰ প্ৰভাৱ অপৰিসীম। সেয়েহে ক'ব পাৰি যে কৈশোৰ কালৰ দৈহিক বৃদ্ধিয়ে ব্যক্তি এজনৰ সমগ্ৰ জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়।

## কৈশোৰৰ দৈহিক বিকাশ অধ্যয়নৰ পদ্ধতি (Methods of Studying Physical Development of Adolescents) :

দৈহিক বিকাশ অধ্যয়নৰ বাবে সাধাৰণতে দুটা পদ্ধতিৰ প্ৰয়োগ কৰা হয়। এই বিষয়ে তলত আলোচনা কৰা হ'ল—

**(ক) পুনৰ পৰীক্ষণ (Retest) ঃ** এই পদ্ধতি অনুসৰি কিশোৰ-কিশোৰীৰ হাত-ভৰি আৰু অন্যান্য অংশবোৰ প্ৰতিবছৰে পৰিমান কৰা হয় আৰু সাধাৰণ আৰু অসাধাৰণ বৃদ্ধিৰ হাৰ নিৰ্ণয়ৰ বাবে ফলাফলৰ তুলনা কৰা হয়। এইদৰে কিশোৰ-কিশোৰীৰ দৈহিক বৃদ্ধিৰ বিষয়ে অধ্যয়ন কৰিব পৰা যায়। ই এক নিৰ্ভৰযোগ্য পদ্ধতি।

**(খ) নমুনাকৰণ পদ্ধতি (Sampling Method) ঃ** দৈহিক বৃদ্ধি অধ্যয়নৰ আন এক পদ্ধতি হ'ল নমুনাকৰণ পদ্ধতি। এই পদ্ধতিত বিভিন্ন বয়স দলৰ কিশোৰ-কিশোৰীসকলৰ সাধাৰণ আৰু অসাধাৰণ বিকাশৰ হাৰ পৰিমাপ কৰা হয় আৰু তুলনা কৰা হয়। এই পদ্ধতিত দৈহিক বিকাশৰ এক সাধাৰণ ধাৰণাহে প্ৰদান কৰা হয়। এই পদ্ধতিৰ যোগে নিৰ্ভৰযোগ্য ফলাফল লাভৰ বাবে ১০,০০০ কিশোৰ-কিশোৰীক নমুনা হিচাপে লৈ তুলনা কৰিব লাগে।

## দৈহিক পৰিৱৰ্তনৰ মনোবৈজ্ঞানিক তাৎপৰ্য (Psychological Significance of Physical Changes) :

কিশোৰ-কিশোৰীৰ দৈহিক পৰিৱৰ্তনৰ বিভিন্ন মনোবৈজ্ঞানিক তাৎপৰ্য থকা দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল—

**(১) ব্যক্তিত্বৰ বিকাশৰ বাবে উন্মাদ (Craze for Building Personality) ঃ** কৈশোৰ কালছোৱাত ব্যক্তি সম্পূৰ্ণৰূপে সলনি হয়। সম্পূৰ্ণ এক নতুন ব্যক্তিত্বৰ গৰাকী হয়। এই নতুন ব্যক্তিত্বই ব্যক্তিৰ মাজত নতুন ধাৰণা, আকাংক্ষা আৰু চিন্তন ক্ষমতা কঢ়িয়াই আনে। জীৱন সম্বন্ধে ব্যক্তিয়ে নতুন দৃষ্টিভংগী সামগ্ৰিকভাৱে গঢ়ি তোলে। এই সময়ছোৱাত কিশোৰ-কিশোৰীয়ে নিজৰ গুৰুত্ব অনুভৱ কৰিব পৰা হয়। দৈহিকভাৱে আনৰ লগত তুলনা কৰি সমনীয়াৰ লগত একেলগে কিশোৰ-কিশোৰীয়ে আগবাঢ়ি যায়। নিজৰ দৈহিক গঠনৰ লগত মিল থকা সাজ-পাৰ সিহঁতে পৰিধান কৰি নিজকে প্ৰাপ্তবয়স্কসকলৰ লগত ৰিজাব বিচাৰে।

**(২) আনৰ পৰা প্ৰশংসাৰ আকাংক্ষা (Expecting Appreciation From Others) ঃ** বিভিন্ন দৈহিক বিকাশৰ বাবে কিশোৰ-কিশোৰীয়ে অহংকাৰ কৰিবলৈ আৰম্ভ কৰে। এই বিকাশ যে এক সাধাৰণ প্ৰক্ৰিয়া সেয়া সিহঁতে বুজি নাপায়। সেয়ে আনে প্ৰশংসা কৰিলে সিহঁতে ভিতৰি ভিতৰি আনন্দ

লাভ কৰে। এই প্ৰশংসা লাভৰ বাবে সিহঁতে বিভিন্ন খেলা-ধূলাত অংশ গ্ৰহণ কৰে। যিসকল কিশোৰ-কিশোৰীৰ কোনো কাৰণৰ বাবে দৈহিক বিকাশ সম্পূৰ্ণ নহয় নাইবা খেল-ধেমালিত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰে সেইসকলে হীনমন্যতাবোধত ভোগে। বহুতো ল'ৰাই শাৰীৰিক শক্তিৰ বাবে নিজক ছোৱালীতকৈ শ্ৰেষ্ঠ বুলি ভাবে।

**(৩) সমালোচনাৰ ভয় (Fear of Criticism) ঃ** নিজৰ দৈহিক বিকাশ বিচৰা ধৰণে নহ'লে কিশোৰ-কিশোৰীসকল সমালোচনাৰ সন্মুখীন হোৱাৰ বাবে ভয় কৰে। মুখত শালমইনা ওলালে সিহঁত আশংকাত ভোগে। কিছুমান ল'ৰা-ছোৱালীৰ মুখত বহুত শালমইনা থাকে যাৰ বাবে সিহঁত আনৰ সন্মুখত ওলাবলৈ প্ৰতিকাৰ গ্ৰহণ কৰিব বিচাৰে। বিজ্ঞাপনৰ ব্যাপক প্ৰভাৱ কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ মাজত দেখিবলৈ পোৱা যায়।

**(৪) দৈহিক বিকাশৰ অসমানতা (No Uniformity in the Physical Development) ঃ** কৈশোৰ কালৰ দৈহিক বিকাশ সমমানৰ নহয়। কেতিয়াবা কিছুমান অংগ অধিকভাৱে বিকশিত হয় আৰু আন অংগৰ তুলনাত দেখিবলৈ বেয়া হয়। উদাহৰণস্বৰূপে আন দেহৰ অংগতকৈ ভৰি আৰু পেশীৰ বিকাশ অধিক দ্ৰুতগতিত হয় আৰু দেখিবলৈ অধিক দীঘল হয়। ছোৱালীবোৰে এইবোৰ বেছিকৈ অনুভৱ কৰে আৰু আনৰ সন্মুখত ওলাবলৈ লাজ কৰে। কিয়নো মহিলাৰ সৌন্দৰ্যচৰ্চা অনুসৰি হাত-ভৰি অধিক দীঘল হ'লে শুৱনি নেদেখি। সেয়ে সিহঁতে এনে অংগবোৰ ঢাকি ৰাখিব বিচাৰে। একেদৰে ল'ৰাবোৰো এক জটিলতাৰ সন্মুখীন হয় কিন্তু ছোৱালীবোৰ এই ক্ষেত্ৰত অধিক সচেতন হয়।

**(৫) নাকৰ বিকাশ (Development of Nose) ঃ** কৈশোৰ কালত শৰীৰৰ অন্যান্য অংগৰ তুলনাত নাকৰ বিকাশ আগতীয়াকৈ হয়। সেয়ে অন্যান্য অংগৰ তুলনাত ইয়াক সামঞ্জস্যহীন যেন লাগে। কিশোৰ-কিশোৰীৰ বন্ধু-বান্ধৱীসকলে এইক্ষেত্ৰত কেতিয়াবা অমনোবৈজ্ঞানিক মন্তব্য দিয়াও দেখা যায়। ফলত কিশোৰ-কিশোৰীসকলে অস্বস্তিকৰ অনুভৱ কৰে। কিন্তু যেতিয়া মুখৰ বিকাশ সম্পূৰ্ণ হয় তেতিয়া নাকৰো সামঞ্জস্যতা আহি পৰে।

**(৬) ব্যক্তি পাৰ্থক্যৰ বাবে লজ্জা (Shyness due to Individual Differences) ঃ** কিছুমান কিশোৰ-কিশোৰীৰ দৈহিক বিকাশ খুব আগতীয়াকৈ হয় আৰু কিছুমানক বেছি সময়ৰ প্ৰয়োজন হয়। যিসকলৰ দৈহিক বিকাশত কিছু পলম হয় সেইসকল কিশোৰ-কিশোৰীয়ে বন্ধুৰ সন্মুখত নীচাত্মিক জটিলতা অনুভৱ কৰে। ব্যক্তি পাৰ্থক্যৰ বাবে ল'ৰা আৰু ছোৱালীৰ লাজ আৰু শংকা পৃথক হোৱা দেখা যায়। ল'ৰা আৰু ছোৱালীৰ মাত, দেহৰ গোপন অংগ আদিৰ বাবে সিহতে লাজ অনুভৱ কৰা দেখা যায়।

**(৭) নিসংগপ্ৰিয়তা আৰু দিবাস্বপ্ন (Love of Isolation and Day Dreaming) ঃ** কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ মাজত নিসংগপ্ৰিয়তা আৰু নিৰ্জনপ্ৰিয়তা ভাৱ পৰিলক্ষিত হয়। ভাবুকতা, চিন্তাক্লিষ্টতা, বিষণ্ণতা আদি মানসিক অৱস্থাই সিহঁতক বাস্তৱ-বিবৰ্জিত কল্পনা ৰাজ্য এখনলৈ লৈ যায়। ভৱিষ্যত জীৱনৰ আশা-নিৰাশাৰ কল্পনা আৰু দিবাস্বপ্নৰ মাজত আত্ম বিলোপন কৰিব বিচাৰে।

**(৮) দুখদায়ক আৱেগৰ প্ৰভাৱ (Impact of Painful Emotion) ঃ** দৈহিক পৰিৱৰ্তনৰ বাবে কিশোৰ-কিশোৰীসকলৰ আৱেগিক জীৱন চঞ্চল, অস্থিৰ আৰু অনিয়ন্ত্ৰিত বিধৰ হৈ উঠে। প্ৰথমবাৰৰ বাবে অনুভৱ কৰা বীৰ্যস্খলন আৰু ৰক্তস্ৰাৱৰ বাবে ল'ৰা-ছোৱালীৰ মনত ভয়, সংকোচ, লাজ, উদ্বিগ্নতা, উৎকণ্ঠা আদি অসুস্থ অনুভূতিয়ে আৱেগিক জীৱন ভাৰ সাম্যহীন কৰি তোলে। কোনো কোনো আৱেগৰ পৰিস্থিতিয়ে আকৌ ক্ৰোধ, বিৰক্তি, ইৰ্ষা, হিংসা, ঘৃণা আদি ভাবৰ সৃষ্টি কৰিব পাৰে। দৰাচলতে ক'বলৈ গ'লে যৌন জীৱনৰ পৰিৱৰ্তনৰ বাবে কিশোৰ-কিশোৰীৰ আৱেগিক জীৱনত ভাৰসাম্যহীন অস্বাভাৱিক পৰিস্থিতিৰৰ সৃষ্টি হোৱা দেখা যায়।

## দৈহিক বিকাশৰ শৈক্ষিক তাৎপৰ্য (Educational Implications of Physical Development)

কিশোৰ-কিশোৰীৰ প্ৰয়োজনবোৰৰ বোধৰ বাবে আব্ৰাহাম মেচ্‌লো (Abraham Maslow) ৰ পৰ্যায়ক্ৰম স্থিতি তত্ত্ব (Hierarchical Theory of Needs) অতি সহায়কাৰী। কৈশোৰ কালত আন আন প্ৰয়োজনবোৰৰ লগতে উচ্চ পৰ্যায়ৰ প্ৰয়োজনবোৰো বিকশিত হৈ উঠে। মেচ্‌লোই মানুহৰ প্ৰয়োজনবোৰক জৈৱিক প্ৰয়োজন, বিপদমুক্ততাৰ প্ৰয়োজন, ভালপোৱা আৰু সমাজত অৰ্ন্তভুক্তিৰ প্ৰয়োজন আদি ভাগত ভাগ কৰিছে। বহুলভাৱে বিভাজন কৰিলে মানুহৰ প্ৰয়োজনবোৰক তিনিটা ভাগ কৰিব পাৰি। সেয়া হ'ল—

(ক) কিশোৰ-কিশোৰীৰ নিম্ন প্ৰয়োজন বা দৈহিক প্ৰয়োজন।

(খ) কিশোৰ-কিশোৰীৰ সামাজিক আৰু মনোবৈজ্ঞানিক প্ৰয়োজন।

(গ) উচ্চ প্ৰয়োজন বা আত্ম মৰ্যাদাৰ প্ৰয়োজন।

কিশোৰ-কিশোৰীসকলৰ দৈহিক বিকাশৰ বাবে তেওঁলোকৰ প্ৰয়োজনবোৰ পূৰণ কৰাটো অতি প্ৰয়োজনীয়। এই ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকসকলে বিভিন্ন ধৰণৰ বিকাশমূলক কাৰ্য গ্ৰহণ কৰিব লাগে। এই কাৰ্যবোৰে কিশোৰ-কিশোৰীৰ প্ৰয়োজনবোৰ সন্তোষজনকভাৱে পূৰণ কৰিব লাগে। দৈহিক বিকাশৰ লগত সম্বন্ধিত কেতবোৰ শিক্ষামূলক তাৎপৰ্য হ'ল—

১। কিশোৰ-কিশোৰীসকলৰ বাবে বাধ্যতামূলক দৈহিক ব্যায়াম আৰু সন্ধিয়া সময়ত খেল-ধেমালিৰ ব্যৱস্থা কৰিব লাগে। বিদ্যালয়ত এটা নিৰ্দিষ্ট সময়ত নিয়মিতভাৱে সকলো কিশোৰ-কিশোৰীকে শৰীৰ

চৰ্চা কৰিবলৈ দিব লাগে। ইয়ে সিহঁতক দৈহিকভাৱে ভাৰসাম্যপূৰ্ণ কৰি ৰাখিব।

২। বিদ্যালয়ত নিজস্ব চিকিৎসকৰ দ্বাৰা প্ৰতিমাহে কিশোৰ-কিশোৰীৰ স্বাস্থ্যৰ নিৰীক্ষণ কৰিব লাগে। এই নিৰীক্ষণ কাৰ্যই ছাত্ৰ-ছাত্ৰীৰ ৰোগ-ব্যাধি, শাৰীৰিক অপুষ্টিতা আদিৰ বিষয়ে জনাত সহায় কৰিব আৰু সেই অনুসৰি প্ৰতিকাৰৰ ব্যৱস্থা প্ৰদান কৰিব পৰা যাব।

৩। দৈহিক বিকাশ ভাৰসাম্যপূৰ্ণ কৰি ৰাখিবৰ বাবে সকলো কিশোৰ-কিশোৰীক কিছু পৰিমানে কায়িক শ্ৰম কৰিবলৈ দিব লাগে। বিদ্যালয়ত এটা নিৰ্দিষ্ট সময়ত ইয়াৰ বাবে সুবিধা প্ৰদান কৰিব লাগে। ইয়াৰ লগতে ঘৰতো পিতৃ-মাতৃ আৰু অভিভাৱকে কায়িক শ্ৰম কৰাৰ বাবে সুবিধা প্ৰদান কৰিব লাগে।

৪। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ কিশোৰ-কিশোৰীসকলক সুষম পুষ্টিকৰ খাদ্য যোগান ধৰাৰ ব্যৱস্থা বিদ্যালয়ত কৰিব লাগে। সুষম খাদ্যৰ অভাৱত যাতে ল'ৰা-ছোৱালীৰ দৈহিক বিকাশ অপৰিপক্ক নহয় তাৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰাটো বিদ্যালয়ৰ নৈতিক দায়িত্ব।

৫। কৈশোৰ কালত ল'ৰা-ছোৱালীক বিভিন্ন ধৰণৰ খেলা-ধূলা কৰাৰ বাবে সুবিধা প্ৰদান কৰিব লাগে। ইয়াৰ বাবে বিদ্যালয় আৰু ঘৰত পাৰ্যমানে খেল-ধেমালীৰ সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। একক খেলতকৈ দলীয় খেল-ধেমালীত অংশ গ্ৰহণ কৰাৰ বাবে কিশোৰ-কিশোৰীক উৎসাহিত কৰিব লাগে।

৬। ছোৱালীসকলৰ দৈহিক বিকাশৰ বাবে বিদ্যালয় আৰু ঘৰত যিকোনো ধৰণৰ নৃত্যৰ সুবিধা প্ৰদান কৰিব লাগে। বিদ্যালয়ত ইয়াৰ বাবে সুকীয়া স্থান আৰু সুকীয়া সময়ৰ সুবিধা প্ৰদান কৰিব লাগে।

৭। শিক্ষকসকলে কিশোৰ-কিশোৰীক বিভিন্ন প্ৰত্যাহ্বানমূলক কাৰ্য কৰিবলৈ দিব লাগে। দৈহিকভাৱে যিহেতু কিশোৰ-কিশোৰীসকল শক্তিশালী, কৌশলী আৰু সাহসী, সেয়ে এই প্ৰত্যাহ্বানমূলক কাৰ্যবোৰে সিহঁতৰ সমস্যা-সমাধান ক্ষমতা বিকশাই তুলিব।

## কৈশোৰ কালৰ মানসিক বিকাশ (Mental Development of Adolescence Stage)

মানসিক বৃদ্ধি আৰু বিকাশ বৰ্ধিত পৰিপক্কতাৰ লগত সম্বন্ধিত হৈ থাকে। মানসিক বিকাশৰ বাবে কোনো নিৰ্দিষ্ট স্তৰ নাথাকে। মূৰ্ত চিন্তনৰ পৰা মানসিক বিকাশ আৰম্ভ হৈ বিমূৰ্ত চিন্তনলৈ অগ্ৰসৰ হয়। বিকাশৰ আন পৰ্যায় বা স্তৰবোৰৰ তুলনাত মানসিক বিকাশৰ দিশৰ পৰাও কৈশোৰ কাল বৈচিত্ৰ্যময়। কৈশোৰ কাল হৈছে এক সময় যি সময়ত ভৱিষ্যতৰ বাস্তৱ পৃথিৱীত সমাযোজিত হ'বৰ বাবে প্ৰয়োজন হোৱা সকলোবোৰ মানসিক শক্তি প্ৰশিক্ষণৰ যোগেদি বিকশাই তোলা হয়। কৈশোৰ কালৰ শিক্ষা ব্যৱস্থাৰ এক প্ৰধান দায়িত্ব হ'ল মনৰ স্মৃতি শক্তি, মনোযোগ, চিন্তা-কল্পনা, যুক্তি, বিচাৰ,

বিবেচনা, সমস্যা সমাধন ক্ষমতা, জ্ঞান আহৰণ ক্ষমতা, বোধ ক্ষমতা আদিৰ চিনাক্তকৰণ আৰু প্ৰশিক্ষণ প্ৰদান কৰা।

মানসিক বিকাশ মানে হ'ল ব্যক্তিৰ বৌদ্ধিক দিশৰ বিকাশ কিয়নো বুদ্ধিক সাধাৰণ ক্ষমতা স্বৰূপে বিবেচনা কৰা হয়। একেদৰে বৌদ্ধিক বিকাশ মানে হ'ল মানসিক ক্ষমতা আৰু সক্ষমতাৰ বিকাশ যিয়ে এজন ব্যক্তিক পৰিৱৰ্তিত পৰিৱেশৰ লগত সমাযোজন স্থাপন কৰাত সহায় কৰে। ব্যক্তি এজনৰ বৌদ্ধিক বিকাশ বুলিলে সাধাৰণতে ধাৰণা, জ্ঞান, ভাষা, স্মৃতি, যুক্তি, চিন্তন, কল্পনা, বুদ্ধি আদি দিশৰ বিকাশকে বুজা যায়।

বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত জ্যা পিয়াজেই এক তত্ব আৱিষ্কাৰ কৰিছিল যি তত্ত্ব সৰ্বসন্মতভাৱে গ্ৰহণ কৰা হৈছে। পিয়াজেই এই তত্ত্বৰ জৰিয়তে ব্যক্তি এজনৰ বৌদ্ধিক বিকাশ চাৰিটা স্তৰৰ মাজেৰে আলোচনা কৰিছে। যেনে—

| স্তৰ | বয়স | বৰ্ণনা |
| --- | --- | --- |
| সংবেদন সঞ্চালনমূলক স্তৰ (Sensory-motor stage) | জন্মৰ পৰা ২ বছৰলৈ | সংবেদনৰ লগত সঞ্চালনৰ সমন্বয়, পৃথিৱীৰ বিষয়ে সংবেদন, কৌতুহল |
| প্ৰাক-কাৰ্যকৰীকৰণ স্তৰ (Preoperational stage) | ২ ৰ পৰা ৭ বছৰলৈ | সাংকেতিক চিন্তা, সম্পূৰ্ণ ধাৰণাৰ বিশ্লেষণৰ বাবে উপযুক্ত বিন্যাস, কল্পনাশক্তি উন্নত, ধাৰণা গঠন। |
| মূৰ্ত কাৰ্যকৰীকৰণ স্তৰ (Concrete operational state) | ৭ ৰ পৰা ১১ বছৰলৈ | যুক্তিসংগতভাৱে তথ্যৰ প্ৰক্ৰিয়াকৰণ, মানসিক দিশৰ সংগঠন, সময়, জ্ঞান আৰু সংখ্যাৰ বোধ। |
| আনুষ্ঠানিক কাৰ্যকৰীকৰণ স্তৰ (Formal Operational stage) | ১১ ৰ পৰা ওপৰলৈ | তাত্বিক আৰু প্ৰাকল্পিক চিন্তন। বিমূৰ্ত যুক্তি আৰু চিন্তা, কৌশল আৰু পৰিকল্পনাৰ দক্ষতা, এটা বিষয়ৰ ধাৰণা আন এটাত প্ৰয়োগ। |

পিয়াজেই আগবঢ়োৱা এই স্তৰকেইটাৰ অন্তিম স্তৰটোত কৈশোৰকাল অন্তৰ্ভুক্ত। পিয়াজেৰ মতে শিশুৱে এই স্তৰত নিজৰ সত্বাৰ বিষয়ে চিন্তা কৰিবলৈ সমৰ্থ হয়। ১১ বছৰৰ পৰা আৰম্ভ কৰি প্ৰাপ্তবয়স্ক কাললৈ, শিশুৱে কেৱল মাত্ৰ প্ৰকৃত ঘটনাই নহয়, কেতবোৰ সাম্ভাব্য ঘটনাৰ বিষয়েও চিন্তা কৰিব

পাৰে। যেতিয়া ল'ৰা-ছোৱালীয়ে নিজে সন্মুখীন হোৱা সমস্যাবোৰ সমাধানৰ বাবে উপায় উদঘাটন কৰিব পৰা হয়, তেতিয়া তেওঁলোকৰ বাবে পৰিকল্পনা কৰা আৰু কাৰ্য সম্পাদন কৰাটো সহজ হয়। এই স্তৰত তেওঁলোকে অদৃশ্য শক্তিৰ কথাও চিন্তা কৰিব পৰা হয়। তেওঁলোকে কোনো সমস্যাৰ জৰীপ কৰিব পাৰে, সাম্ভাব্য প্ৰকল্পৰ ফলাফল নিৰ্ধাৰণ কৰিব পাৰে আৰু এটা সময়ত এই প্ৰকল্পবোৰ পৰীক্ষাও কৰিব পাৰে। বিজ্ঞানসন্মত যুক্তিৰ ই এক কঠিন উপাদান। অধিক কঠিন সমস্যাৰ সমাধান ল'ৰা-ছোৱালীয়ে এই স্তৰত কৰিব পাৰে। বহুতো কাৰক অন্তৰ্ভুক্ত হৈ থকা সমস্যা ল'ৰা-ছোৱালীয়ে এই স্তৰত মোকাবিলা কৰিব পাৰে। গতিকে ক'ব পাৰি যে পিয়াজেই ব্যক্তিৰ এই বিশেষ স্তৰটোৰ বৌদ্ধিক বিকাশত অতুলনীয় অৱদান আগবঢ়াইছে।

## কৈশোৰ কালৰ মানসিক বিকাশৰ বৈশিষ্ট্যবোৰ (Characteristics of Mental Development of Adolescence Period)

মানসিক বিকাশ ব্যক্তি এজনৰ বংশগতিৰ লগত জড়িত হৈ থাকে আৰু পৰিৱেশৰ সহায়ত এই বিকাশ সম্ভৱ হৈ উঠে। কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ মানসিক বিকাশৰ লগত জড়িত প্ৰধান বৈশিষ্ট্যবোৰ হ'ল—

(১) **বিমূৰ্ত চিন্তন ক্ষমতা (Power of Abstract Thinking) :** বিকাশৰ প্ৰথম দুটা স্তৰত (শৈশৱ আৰু বাল্যকাল) শিশুসকলৰ চিন্তা হয় মূৰ্ত আৰু সংবেদনমূলক। বিকাশৰ তৃতীয় স্তৰ অৰ্থাৎ কৈশোৰ কালত এই চিন্তাই জটিলতাৰ পৰ্যায়লৈ গতি কৰি প্ৰতিৰূপবিহীন বিমূৰ্তৰূপ ধাৰণ কৰে। দৰাচলতে মানসিক বিকাশৰ ফলস্বৰূপে কিশোৰ-কিশোৰীৰ চিন্তাশক্তি বিমূৰ্ত, ভাৱমূলক আৰু তত্ত্ববিষয়ক বিধৰ হৈ উঠে। ইয়াৰ ফলস্বৰূপে কিশোৰ-কিশোৰীয়ে বিভিন্ন বিমূৰ্ত বিষয় যেনে—সত্যতা, সুন্দৰতা, ন্যায় আদিৰ বিষয়ে চিন্তা কৰিব পাৰে।

(২) **সমস্যা সমাধান ক্ষমতা (Problem-solving Ability) :** কিশোৰ-কিশোৰীৰ বিকাশৰ এই পৰ্যায়ত নিজ শক্তি-ক্ষমতাৰ প্ৰতি থকা আত্মবিশ্বাসৰ ফলত আৰু চিন্তাশক্তি আৰু যুক্তিশক্তিৰ বিকাশৰ ফলত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা আৰু সেই সমস্যা সমাধানৰ বিভিন্ন উপায় উদ্ভাৱনৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিব পাৰে। সমস্যা সমাধানৰ বাবে তেওঁলোকে গ্ৰহণ কৰা পদক্ষেপ বিজ্ঞানসন্মত, শৃংখলাবদ্ধ আৰু পৰীক্ষাসাপেক্ষ বিধৰ। সেয়েহে এই স্তৰৰ ল'ৰা-ছোৱালীয়ে প্ৰকৃতি জগতৰ গোপন ৰহস্য উদঘাটন কৰিবৰ বাবে আগ্ৰহী হৈ থাকে।

(৩) **শিক্ষণ ক্ষমতা (Learning Ability) :** শৈশৱ আৰু বাল্যকালত প্ৰচেষ্টা আৰু ভুল শিক্ষণ পদ্ধতি, পুনৰাবৃত্তি আৰু অনুকৰণৰ যোগেদি আহৰণ কৰা শিক্ষণ কৈশোৰ কালত সামগ্ৰিক বিধৰ

হৈ উঠে। কিশোৰ-কিশোৰীসকলে কোনো এক ঘটনা বা বিষয় সামগ্ৰিকভাৱে অধ্যয়ন কৰি শিক্ষণ অভিজ্ঞতা আহৰণ কৰে। শিক্ষণ অভিজ্ঞতা আহৰণৰ বেলিকা বোধশক্তিৰ প্ৰয়োগত কিশোৰ-কিশোৰীয়ে অধিক গুৰুত্ব দিয়ে। মস্তিষ্কৰ পৰিপক্কতাৰ বাবে তেওঁলোকৰ শিক্ষণ অভিজ্ঞতা বহুপৰিমাণে বৃদ্ধি হয়।

(৪) **স্মৃতিশক্তি (Memory) :** বৌদ্ধিক বিকাশত প্ৰভাৱ বিস্তাৰ কৰা আন এক দিশ হ'ল স্মৃতিশক্তি। কৈশোৰ কালত বাল্যকালৰ তুলনাত ল'ৰা-ছোৱালীৰ স্মৃতি-পৰিসৰৰ মাত্ৰা বৃদ্ধি পায়। মুখস্থ আৰু অভ্যাস স্মৃতিৰ পৰিবৰ্তে যুক্তিসংগত স্মৃতি প্ৰয়োগ কৰাৰ ক্ষমতা কিশোৰ-কিশোৰীৰ বৃদ্ধি হয়। যুক্তিসংগত স্মৃতি দীৰ্ঘস্থায়ী আৰু সহজ-বিধৰ। এইবিধ স্মৃতিক প্ৰকৃত স্মৃতি বুলিও ক'ব পাৰি।

(৫) **আগ্ৰহ আৰু মনোযোগ (Interest and Attention) :** শৈশৱ কালত শিশুৰ মনোযোগ আৰু আগ্ৰহ নিৰপেক্ষ হৈ থাকে। কৈশোৰ কালত ল'ৰা-ছোৱালীৰ জ্ঞান, বুদ্ধি, চিন্তা, কল্পনা, অভিজ্ঞতা আদিৰ শক্তি প্ৰবল হয় বাবে তেওঁলোকৰ মনোযোগ আৰু আগ্ৰহে চৰম ৰূপ লাভ কৰে। বিভিন্ন মূৰ্ত বস্তুৰ ওপৰত মনোযোগ দিয়াৰ লগতে তেওঁলোকে বিমূৰ্ত বস্তুৰ ওপৰতো গভীৰ মনোযোগ দিবলৈ সক্ষম হয়। যিকোনো বিষয়তে ঐচ্ছিক মনোযোগ প্ৰদান কৰিব পৰা হোৱা বাবে বাহ্যিক বিষয়ে মন সহজে আকৰ্ষণ কৰিব নোৱাৰে। মনৰ অৰ্জিত আগ্ৰহৰ বাবে মনোযোগ নিৰ্বাচিত আৰু স্থায়ী বিধৰ হৈ উঠে।

(৬) **সৃজনাত্মক ক্ষমতা (Creative Ability) :** কৈশোৰ কালত ল'ৰা-ছোৱালীৰ মানসিক বিকাশ সৃজনাত্মক আৰু নতুনৰ উদ্ভাৱনমূলক হৈ উঠে। নিজ সৃষ্টিশীল ক্ষমতাৰ যোগেদি তেওঁলোকে সমাজলৈ বৰঙণি আগবঢ়াব পাৰে। নিজৰ মৌলিক চিন্তাৰ যোগেদি কিশোৰ-কিশোৰীয়ে নতুনত্বৰ সৃষ্টি কৰি নিজৰ সৃজনক্ষমতা বিকশাই তোলে আৰু উচ্চ মানসিক যোগ্যতাৰ পৰিচয় দিয়ে। সৃজনক্ষমতা গুণে ব্যক্তিক আত্মবিশ্বাসী কৰি তোলে আৰু সমাজক বিকশাই তোলাত বৰঙণি আগবঢ়াব পাৰে।

(৭) **কল্পনাৰ বিকাশ (Development of Imagination) :** কৈশোৰ কালত ল'ৰা-ছোৱালীৰ কল্পনা-প্ৰৱণতা বৃদ্ধি পায়। ল'ৰা-ছোৱালীৰ কল্পনা অচেতন মনৰদ্বাৰা প্ৰভাৱিত হৈ উঠে। কিশোৰ-কিশোৰীৰ কল্পনাৰ সুস্থ বিকাশে জীৱনত প্ৰেৰণাৰ উৎস প্ৰদান কৰে, সৃজনশীল বিকাশত সহায় কৰে, বাস্তৱত সুস্থ সমাযোজনত সহায় কৰে। কল্পনা শক্তিৰ বিকাশৰ বাবে এই স্তৰৰ ল'ৰা-ছোৱালীয়ে গল্প, কবিতা, নাটক, চিত্ৰাংকণ আদি বিষয়ত বিশেষ গুৰুত্ব প্ৰদান কৰে।

(৮) **অভিক্ষমতা (Aptitude) :** কৈশোৰ কালত পূৰ্ণাংগ ৰূপত বিকাশ লাভ কৰা আন এক মানসিক দিশ হ'ল অভিক্ষমতা। এই কালছোৱাত অধ্যয়ণৰ বিভিন্ন বিষয় আৰু বৃত্তিমূলক কাৰ্যবোৰৰ প্ৰতি কিশোৰ-কিশোৰীৰ মনত অভিক্ষমতা গঢ় লৈ উঠে। শিক্ষানুষ্ঠানত উপযুক্ত শিক্ষা ব্যৱস্থাৰ যোগেদি তেওঁলোকৰ অভিক্ষমতা বিকশাই তুলিব লাগে।

(৯) **সিদ্ধান্ত গ্ৰহণ ক্ষমতা (Decision Making Ability) :** বিকাশৰ এই স্তৰত বৌদ্ধিক বিকাশৰ ফলস্বৰূপে ল'ৰা-ছোৱালীৰ সিদ্ধান্ত গ্ৰহণ ক্ষমতা বৃদ্ধি পায়। কোনো এক সমস্যা তাৎক্ষণিকভাৱে সমাধান কৰাৰ ক্ষমতা বৃদ্ধিৰ লগতে কোনো জটিল পৰিস্থিতিত তেওঁলোকে হতাশ নহৈ উপযুক্তভাৱে সমাযোজন কৰি উঠিব পাৰে। ইয়াৰ উপৰিও শেহতীয়া কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে ভৱিষ্যত জীৱনৰ বাবে উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

(১০) **বিচাৰ শক্তি (Judging Capacity) :** কৈশোৰ কালত ল'ৰা-ছোৱালীৰ বিচাৰকৰণ ক্ষমতা বৃদ্ধি হয়। ফলস্বৰূপে অন্য ব্যক্তিয়ে তেওঁলোকক সহজে প্ৰলোভিত কৰিব নোৱাৰে। ভাল-বেয়া, উচিত-অনুচিত, শুদ্ধ-অশুদ্ধ, সঁচা-মিছা বিচাৰ কৰাৰ ক্ষমতা কিশোৰ-কিশোৰীৰ বৃদ্ধি হয়। কোনো ব্যক্তি বা বা বস্তুৰ বিচাৰকৰণ শক্তি কৈশোৰ কালত বৃদ্ধি হৈ উঠে।

(১১) **জীৱন দৰ্শন (Philosophy of Life) ঃ** এই সময়ছোৱাত কিশোৰ-কিশোৰীসকলে নিজৰ জীৱনৰ আদৰ্শ বা জীৱন দৰ্শন নতুনকৈ গঢ় দি তোলে। নিজৰ ভাৱ-অনুভূতি, ক্ৰিয়া-আচৰণ আৰু অভ্যাস আদিক নিজস্ব নিৰ্ধাৰিত আদৰ্শৰদ্বাৰা গঢ় দি তুলিব বিচাৰে। কিশোৰ-কিশোৰীসকলে ভৱিষ্যতৰ বৃত্তি-ব্যৱসায়, মূল্যবোধ আৰু জীৱনবোধ আদি বস্তুবাদী, ভাৱবাদী আৰু ক্ৰিয়াবাদী আদৰ্শৰ ভিত্তিত গঢ়ি তোলে। ইয়াৰ বাবে আদৰ্শ ব্যক্তি এজনক বাচি লৈ নিজ ব্যক্তিত্বক তেনে ৰূপত গঢ় দিব বিচাৰে। মহান ব্যক্তিসকলৰ জীৱন-আদৰ্শ কিশোৰ-কিশোৰীৰ বাবে সেয়েহে আদৰ্শস্বৰূপ হৈ উঠে।

(১২) **নৈতিক ধাৰণাৰ বিকাশ (Development of Moral Concepts) ঃ** শিশুসকলে কোনো ধৰণৰ বৈধতা-অবৈধতাৰ বিচাৰ নকৰাকৈ পিতৃ-মাতয়ে অনুসৰণ কৰা নৈতিক বিচাৰ অনুসৰণ কৰে কিন্তু কৈশোৰ কালত প্ৰৱেশৰ লগে লগে নৈতিক আচৰণবোৰ সমালোচনাত্মকভাৱে পৰীক্ষা-নিৰীক্ষা কৰিবলৈ লয় আৰু বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰে। নৈতিক ধাৰণাবোৰ বিচাৰ কৰি কিশোৰ-কিশোৰীয়ে নিজৰ বাবে কি ভাল বা কি বেয়া সেয়া বিচাৰ কৰে।

(১৩) **ভাষাৰ বিকাশ (Development of Languages) ঃ** শৈশৱ কালৰ পৰা ভাষাৰ বিকাশ হ'লেও শব্দৰ সাৱলীল প্ৰয়োগ, বাক্যাংশৰ বাচনি, বিভিন্ন অৰ্থ থকা শব্দৰ প্ৰয়োগ আদি কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে প্ৰয়োগ কৰা দেখা যায়। এই স্তৰৰ ভাষিক বিকাশৰ গুৰুত্বপূৰ্ণ দিশ হ'ল শুদ্ধ ব্যাকৰণ আৰু অৰ্থপূৰ্ণ সাৱলীল শব্দৰ প্ৰয়োগকৰণ।

(১৪) **কাৰণ-প্ৰভাৱৰ বিকাশ (Development of Cause and Effect)** ঃ ল'ৰা-ছোৱালীয়ে কৈশোৰ কাল প্ৰাপ্তি হ'লে সমস্যাৰ সংখ্যা বাঢ়ি যায় যিবোৰৰ বাবে সঠিক উত্তৰৰ প্ৰয়োজন। এইক্ষেত্ৰত কিশোৰ-কিশোৰীসকলে প্ৰশ্নবোৰৰ যুক্তিপূৰ্ণভাৱে বিশ্লেষণ কৰি কাৰণবোৰ বিশ্লেষণ কৰে আৰু যুক্তিপূৰ্ণ আৰু বৈজ্ঞানিকভাৱে সমাধানৰ প্ৰয়াস কৰে।

(১৫) **অহমৰ বিকাশ (Ego Development)** ঃ কৈশোৰ কালৰ মানসিক বিকাশৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল অহমৰ বিকাশ সাধন। কিশোৰ-কিশোৰীৰ মাজত ই আকাংক্ষাৰ পৰ্যায়লৈ অগ্ৰসৰ হয়। বীৰৰ দৰে কাৰ্য কৰাৰ দক্ষতা আৰু সাহস সিহঁতৰ থাকে। তেওঁলোকৰ আচৰণো অতি আকৰ্ষণীয়। সেইবাবে শিক্ষক আৰু পিতৃ-মাতৃয়ে কিশোৰ-কিশোৰীৰ সক্ষমতাবোৰ সদৰ্থক দৃষ্টিভংগীৰে বিকশাই তুলিব লাগে।

কৈশোৰ কালৰ মানসিক বিকাশৰ বৈশিষ্ট্যবোৰ ওপৰতে দিয়া ধৰণেৰে আলোচনা কৰিব পাৰি।

## মানসিক বিকাশৰ শৈক্ষিক তাৎপৰ্য (Educational Implications of Mental Development)

কিশোৰ-কিশোৰীৰ মানসিক বিকাশৰ বৈশিষ্ট্যবোৰে মানসিক বিকাশত অৰিহণা যোগায়। এইক্ষেত্ৰত শিক্ষকসকলে কেতবোৰ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাৰ যোগেদি কিশোৰ-কিশোৰীৰ মানসিক বিকাশৰ লগত জড়িত সমস্যাবোৰ সমাধান কৰিব পাৰে।

১। কিশোৰ-কিশোৰীসকল বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত। বিশেষকৈ যৌন সমস্যা সকলোৰে উৰ্ধত। সেয়ে কিশোৰ-কিশোৰীসকলক যৌন শিক্ষা আৰু নৈতিক শিক্ষা প্ৰধান কৰা উচিত যাতে সিহঁতে বিপৰীত লিংগৰ প্ৰতি সদৰ্থক আৰু সুস্থ মনোভাব বিকশাই তুলিব পাৰে।

২। বিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ কাৰ্য হ'ল কিশোৰ-কিশোৰীৰ মানসিক দক্ষতাৰ সম্পূৰ্ণ বিকাশৰ বাবে বিদ্যালয়ত অনুকূল পৰিৱেশ প্ৰদান কৰা। বিদ্যালয়ে ভাল পুথিভঁড়াল, মুক্ত আলোচনাৰ বাবে সুযোগ আৰু সম্প্ৰদায়ৰ সেৱা প্ৰদান কৰিব লাগে। বিদ্যালয়ৰ পাঠ্যক্ৰমত কিশোৰ-কিশোৰীৰ প্ৰয়োজনীয়তাক উপযুক্ত স্থান প্ৰদান কৰিব লাগে।

৩। সংগীত, নৃত্য, কলা আৰু হস্তশিল্পৰ যোগেদি কিশোৰ-কিশোৰীৰ সৃজনাত্মক দক্ষতাৰ বিকাশৰ উপযুক্ত সুযোগ বিদ্যালয়ে প্ৰদান কৰিব লাগে। অপসাৰী বা ভিন্নমুখী চিন্তনৰ বাবে উৎসাহিত কৰিব লাগে। শিক্ষকে শ্ৰেণীকোঠাত নিজৰ শিক্ষাদান আৰু আচৰণেৰে কিশোৰ-কিশোৰীৰ বাবে আদৰ্শ ব্যক্তিস্বৰূপ হৈ উঠিব লাগে। জীৱনৰ প্ৰতি সদৰ্থক মনোভাৱ বিকশাই তোলাত শিক্ষকে কিশোৰ-কিশোৰীক সহায় কৰিব লাগে।

৪। কৈশোৰ কালৰ ল'ৰা-ছোৱালীসকলে বাহ্যিক পৃথিৱীখনক নতুন দৃষ্টিভংগীৰে চাবলৈ আৰম্ভ

কৰে আৰু নিজৰ দক্ষতা চিনাক্তকৰণ কৰিব খোজে। ইয়াৰ বাবে বিদ্যালয়ে কিশোৰ-কিশোৰীক উপযুক্ত পৰিৱেশ প্ৰদান কৰিব লাগে।

৫। শৈক্ষিক আৰু বৃত্তীয় দিশৰ নিৰ্দেশনা প্ৰদানৰ বাবে বিদ্যালয়ত শৈক্ষিক আৰু বৃত্তীয় নিৰ্দেশনা সেৱাৰ ব্যৱস্থা কৰিব লাগে।

৬। শিক্ষকসকলে প্ৰতিজন কিশোৰ-কিশোৰীৰ প্ৰতি ব্যক্তিগতভাৱে চকু ৰাখিব লাগে আৰু ব্যক্তিগত প্ৰয়োজনীয়তাত গুৰুত্ব দিব লাগে। এই ক্ষেত্ৰত বহুতো বিদ্যালয়ে বৰ্তমান টিউটৰিয়েল ব্যৱস্থা গ্ৰহণ কৰিছে।

৭। কিশোৰ-কিশোৰীসকলৰ কৌতুহল নিবাৰণ কৰিবৰ বাবে শিক্ষানুষ্ঠানবোৰে শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰিব লাগে। এই ভ্ৰমণৰ বাবে ঐতিহাসিক প্ৰসিদ্ধ আৰু ভৌগলিক তাৎপৰ্য থকা স্থানবোৰ বাচনি কৰিব লাগে।

৮। কিশোৰ-কিশোৰীসকল সদায় পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আগ্ৰহী। সেয়েহে শিক্ষকে শিক্ষাদান কাৰ্যত শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাদান পদ্ধতি যেনে—ডেল্টন আঁচনি, প্ৰকল্প পদ্ধতি, হিউৰিষ্টিক পদ্ধতি আদিৰ প্ৰয়োগ কৰিব লাগে। আত্ম-পৰীক্ষণৰ বাবে এই পদ্ধতিবোৰ অতি উপযোগী।

৯। কিশোৰ-কিশোৰীসকলৰ মাজত বৌদ্ধিক ক্ষমতা, প্ৰৱণতা, সামাজিক পৰিপক্কতা আৰু যৌন ক্ষেত্ৰত থকা ব্যক্তিগত পাৰ্থক্যবোৰৰ বিষয়ে শিক্ষকে দৃষ্টি নিক্ষেপ কৰিব লাগে। বেছি বুদ্ধিৰ কিশোৰ-কিশোৰীয়ে জটিল কাৰ্য সম্পাদন কৰিব পাৰে যিটো মধ্যমীয়া বুদ্ধিৰ কিশোৰ-কিশোৰীৰ বাবে সম্ভৱ হয়। একেদৰে যিবোৰ ল'ৰাৰ বাবে ভাল সেইবোৰ ছোৱালীৰ বাবে ভাল নহ'বও পাৰে।

১০। কিশোৰ-কিশোৰীৰ আগ্ৰহ আৰু অভিক্ষমতা বা প্ৰৱণতাৰ বিকাশৰ বাবে বিভিন্ন ধৰণৰ শৈক্ষিক কাৰ্যসূচী, সাহিত্যৰ কাৰ্যসূচীৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

১১। যৌক্তিক শক্তিৰ বিকাশ সাধন কৰিবৰ বাবে শিক্ষকসকলে কিশোৰ-কিশোৰীসকলক যুক্তি-তৰ্ক আৰু আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব লাগে।

১২। শিক্ষকে কিশোৰ-কিশোৰীৰ আস্থা আৰু বিশ্বাস জয় কৰিবৰ বাবে বন্ধুত্বপূৰ্ণ সম্বন্ধ স্থাপন কৰিব লাগে।

## মানসিক বিকাশৰ বাবে কৈশোৰৰ শিক্ষা (Education of Adolescents for Mental Development) :

কৈশোৰ কালত ল'ৰা-ছোৱালীক যি শিক্ষা প্ৰদান কৰা হয় সেয়া হ'ল মাধ্যমিক শিক্ষা। সাধাৰণতে ১২/১৩ বছৰৰ পৰা ১৭/১৮ বছৰৰ কালছোৱাতে মাধ্যমিক শিক্ষা প্ৰদান কৰা হয়। মাধ্যমিক শিক্ষাৰ দ্বাৰা কিশোৰ-কিশোৰীসকলৰ প্ৰয়োজনবোৰ পূৰণ কৰাৰ চেষ্টা কৰা হয়। কৈশোৰ কালত প্ৰদান কৰা

মাধ্যমিক শিক্ষা দুই প্ৰকাৰৰ। সেয়া হ'ল—উচ্চ মাধ্যমিক শিক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষা। ব্যক্তিৰ জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ স্তৰ হ'ল মাধ্যমিক শিক্ষাৰ স্তৰ।

কিশোৰ-কিশোৰীৰ সৰ্বাত্মক বিকাশ সাধন কৰিবৰ বাবে শিক্ষা ব্যৱস্থাত গ্ৰহণ কৰিব লগা কেতবোৰ পদক্ষেপ হ'ল—

(১) **পাঠ্যক্ৰমৰ সমৃদ্ধিকৰণ (Enrichment of Curriculum) :** এই কালছোৱাৰ ল'ৰা-ছোৱালীৰ ভিন্নমুখী দিশবোৰৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰম বিভাজিত কৰি তুলিব লাগে। সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম নমনীয় হ'ব লাগে। ইয়াৰ উপৰিও পাঠ্যক্ৰমত সংজ্ঞানাত্মক, আনুভূতিক আৰু ক্ৰিয়াত্মক দিশৰ শিক্ষা উপাদান অন্তৰ্ভুক্ত কৰিব লাগে।

(২) **বৃত্তিমুখী শিক্ষাৰ প্ৰৱৰ্তন (Introduction of Vocational Courses) :** মাধ্যমিক শিক্ষাত বিশেষকৈ উচ্চতৰ মাধ্যমিক শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক সাধাৰণ বিষয়ৰ শিক্ষা প্ৰদান কৰাৰ উপৰিও বৃত্তীয় বিষয়ৰ শিক্ষাও প্ৰদান কৰিব লাগে। কৈশোৰ কালত ল'ৰা-ছোৱালীবোৰ আত্মনিৰ্ভৰশীল হৈ উঠে। বৃত্তীয় শিক্ষাৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক নিজৰ দক্ষতা, ৰুচি আৰু অভিৰুচি অনুসৰি ভৱিষ্যত জীৱনৰ বাবে প্ৰস্তুত কৰি তুলিব পাৰি। এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক আৰ্থিকভাৱে স্বতন্ত্ৰ হোৱাত সহায় কৰিব।

(৩) **সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ অন্তৰ্ভুক্তি (Introduction of Co-curricular Activities) :** কিশোৰ-কিশোৰীৰ সামাজিক, মানসিক আৰু দৈহিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি মাধ্যমিক শিক্ষা ব্যৱস্থাত বিভিন্ন ধৰণৰ সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী অন্তৰ্ভুক্ত কৰিব লাগে। বিভিন্ন সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ গণতান্ত্ৰিক মূল্যবোধৰ বিকাশ সাধন, মূল্যবোধ গঠন, নেতৃত্বৰ শিক্ষা আদি দিশ বিকশাই তুলিব লাগে। ইয়াৰ উপৰিও মানসিক স্বাস্থ্য ৰক্ষাৰ বাবে যোগ, ধ্যান, প্ৰাৰ্থনা আদিৰ ব্যৱস্থা কৰিব লাগে।

(৪) **যৌন শিক্ষা (Sex Education) :** যৌন শিক্ষা প্ৰদান কৰাটো কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ বাবে অতি প্ৰয়োজনীয়। যৌন ধাৰণা বা প্ৰয়োজনবোৰ লুকুৱাই ৰাখি কিশোৰ-কিশোৰীসকল নানা সমস্যাৰ সন্মুখীন হয়। কৈশোৰ কালৰ ল'ৰা-ছোৱালীক যৌন সমস্যাৰ পৰা ৰক্ষা কৰিবৰ বাবে মাধ্যমিক পৰ্যায়ৰ শিক্ষাত বিজ্ঞানভিত্তিক আৰু মনোবিজ্ঞানভিত্তিক যৌন শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও যৌন সমস্যাৰ পৰা হাত সাৰিবৰ বাবে ল'ৰা-ছোৱালীক বিভিন্ন সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীত অংশ লবৰ বাবে উৎসাহ-উদ্দীপনাৰ লগতে উপযুক্ত সহায় শিক্ষক আৰু অভিভাৱকে আগবঢ়াব লাগে।

(৫) **নিৰ্দেশনা আৰু পৰামৰ্শদান (Guidance and Counselling) :** মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত ছাত্ৰ-ছাত্ৰীক নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান কৰাৰ ব্যৱস্থা থাকিব লাগে। উপযুক্ত শৈক্ষিক আৰু বৃত্তীয় নিৰ্দেশনা প্ৰদান কৰি তেওঁলোকক আত্ম নিৰ্ভৰশীল হ'বৰ বাবে প্ৰস্তুত কৰি তুলিব লাগে। ভৱিষ্যত নিয়ন্ত্ৰিত আৰু আত্ম-সন্মানবোধ থকা কামৰ বাবে মাধ্যমিক স্তৰতে উপযুক্ত পৰামৰ্শ আগবঢ়াব লাগে। কোনটো কাম কোনগৰাকী ল'ৰা বা ছোৱালীৰ বাবে উপযুক্ত সেই সম্পৰ্কে শিক্ষকে উপযুক্ত পৰামৰ্শ আগবঢ়াই কেনেদৰে সেই বৃত্তিক ল'ৰা-ছোৱালীয়ে ভৱিষ্যতে গ্ৰহণ কৰিব পাৰে তাৰ বাবে নিৰ্দেশনা দিব লাগে।

(৬) **আজৰি সময়ৰ বাবে শিক্ষা (Education for Leisure) :** বৰ্তমান সমাজ ব্যৱস্থাত টেলিভিচন, কম্পিউটাৰ, ম'বাইল ফোন, চছিয়েল নেটৱৰ্কিং আদি ব্যৱস্থাই কিশোৰ-কিশোৰীক আনন্দদায়ক নিস্ক্ৰীয়তাৰ দিশত আগুৱাই নিছে। ইয়াৰ বিপৰীতে কিশোৰ-কিশোৰীয়ে যাতে সুপ্ত অন্তৰ্নিহিত কলাত্মক আৰু ক্ৰিয়াত্মক প্ৰতিভাবোৰ বিকশাই তুলিব পাৰে তাৰ বাবে বিদ্যালয় তথা ঘৰত অৱসৰ সময়ৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও হবি ক্লাব সংগঠন কৰিও ছাত্ৰ-ছাত্ৰীয়ে আজৰি সময়খিনি ফলপ্ৰসূভাৱে অতিবাহিত কৰিব পাৰে।

## সামৰণি (Conclusion)

কিশোৰ-কিশোৰীৰ সৰ্বাংগীন বিকাশ সাধনৰ বাবে দৈহিক আৰু মানসিক দিশৰ বিকাশ অতি গুৰুত্বপূৰ্ণ। বিকাশৰ এই দুটা দিশৰ প্ৰভাৱ আন আন দিশ যেনে—সামাজিক, আৱেগিক, নৈতিক আদি দিশত দেখিবলৈ পোৱা যায়।

## প্ৰশ্নাৱলী

### (১) অতি চমু প্ৰশ্ন (Very Short Question)

(i) মধ্য শৰীৰ কি?
What is trunk?

(ii) পুনৰ পৰীক্ষণ কি?
What is retest?

(iii) আব্ৰাহাম মেচ্‌লোৰ তত্বটোৰ নাম কি?
What is the name of the theory of Abraham Maslow?

(iv) বিমূৰ্ত চিন্তন কোনটোৰ স্তৰৰ মানসিক বৈশিষ্ট্য?

In which stage, abstract thinking is a characteristic?

(v) কৈশোৰ কালৰ এটা দৈহিক বৈশিষ্ট্য উল্লেখ কৰা।

Mention one physical characteristics of adolescence stage?

## (২) শুদ্ধ নে অশুদ্ধ লিখা (Write true or false)

(i) দৈহিক বিকাশ অধ্যয়নৰ এক পদ্ধতি হ'ল নমুনাকৰণ।

Sampling is a method of studying physical development.

(ii) কৈশোৰ কালত যৌন শিক্ষা প্ৰদান কৰিব লাগে।

Sex education should be provided in adolescence stage.

(iii) বিমূৰ্ত চিন্তন ক্ষমতাই কৈশোৰ কালৰ বৌদ্ধিক বিকাশৰ কথাকে সূচায়।

Power of abstract thinking indicates intellectual development of adolescence period.

(iv) অহমৰ বিকাশ কৈশোৰ কালৰ মানসিক বিকাশৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

Development of ego is an important characteristic of mental development.

(v) ভাষাৰ বিকাশ-মানসিক বিকাশৰ অন্তৰ্ভুক্ত নহয়।

Language development is not included in mental development.

## (৩) খালী ঠাই পূৰণ কৰা (Fill in the blanks)

(i) আগতীয়া কৈশোৰ কালৰ বিকাশ ———।

Development of early adolescence is ———.

(ii) মধ্য শৰীৰৰ বিকাশ ——— কালত বেছিকৈ হয়।

Development of trunk is more in ——— period.

(iii) কিশোৰ-কিশোৰীয়ে আনৰ পৰা ——— আকাংক্ষা কৰে।

Adolescents expects ——— from others.

(iv) কিশোৰ-কিশোৰীয়ে ——— আৰু ——— স্বপ্ন ভাল পায়।

Adolescents love ——— and ——— dreaming.

(v) ——— বিকাশ কৈশোৰ কালত বেছিকৈ হয়।

Development of ——— is more in adolescence period.

## (৪) চমু উত্তৰ লিখা (Write short answers) :

(i) কৈশোৰ কালৰ দুটা আভ্যন্তৰীণ দৈহিক বৈশিষ্ট্য উল্লেখ কৰা।

Mention two internal physical characteristics of adolescence period.



(ii) কৈশোৰ কালৰ দুটা বাহ্যিক দৈহিক বৈশিষ্ট্য উল্লেখ কৰা।
Mention two external physical characteristics of adol[escence period.]

(iii) কৈশোৰৰ দৈহিক বিকাশ অধ্যয়নৰ পদ্ধতিৰ বিষয়ে লিখা।
Write about the method of studies physical developmen[t.]

(iv) কৈশোৰ কালৰ দুটা মানসিক বৈশিষ্ট্য উল্লেখ কৰা।
Mention two mental characteristics of adolescence period.

(v) আব্ৰাহাম মেচ্‌লোৰ প্ৰয়োজন তত্ত্বৰ ভাগকেইটা কি কি?
What are the types of need theory of Abraham Maslow.

**(৫) চমু টোকা লিখা (Write short notes) :**

(i) আনুষ্ঠানিক কাৰ্যকৰীকৰণ স্তৰ
Formal operational stage

(ii) অহমৰ বিকাশ
Ego Development

(iii) দুখদায়ক আৱেগৰ প্ৰভাৱ
Impact of painful emotion

(iv) কৈশোৰ কালৰ শিক্ষা
Education of adolescence period

(v) আভ্যন্তৰীণ দৈহিক বিকাশ
Internal physical development

**(৬) উত্তৰ লিখা (Write answers) :**

(i) কৈশোৰ কালৰ দৈহিক বিকাশৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।
Discuss about the characteristics of physical development of adolescence period.

(ii) কৈশোৰ কালৰ দৈহিক বিকাশৰ মনোবৈজ্ঞানিক আৰু শৈক্ষিক তাৎপৰ্য বৰ্ণনা কৰা।
Explain the psychological and educational implications of physical development of adolescence period.

(iii) কৈশোৰ কালৰ মানসিক বিকাশৰ ওপৰত এখন ৰচনা লিখা।
Write an essay on mental development of adolescence.

(iv) কৈশোৰ কালৰ মানসিক বিকাশৰ শৈক্ষিক তাৎপৰ্য বৰ্ণনা কৰা।
Explain the educational implications of mental development of adolescence period.

●●●

(ii) কৈশোৰ কালৰ দুটা বাহ্যিক দৈহিক বৈশিষ্ট্য উল্লেখ কৰা।

Mention two external physical characteristics of adolescence period.

(iii) কৈশোৰৰ দৈহিক বিকাশ অধ্যয়নৰ পদ্ধতিৰ বিষয়ে লিখা।

Write about the method of studies physical development of adolescents.

(iv) কৈশোৰ কালৰ দুটা মানসিক বৈশিষ্ট্য উল্লেখ কৰা।

Mention two mental characteristics of adolescence period.

(v) আব্ৰাহাম মেচ্‌লোৰ প্ৰয়োজন তত্ত্বৰ ভাগকেইটা কি কি?

What are the types of need theory of Abraham Maslow.

## (৫) চমু টোকা লিখা (Write short notes) :

(i) আনুষ্ঠানিক কাৰ্যকৰীকৰণ স্তৰ

Formal operational stage

(ii) অহমৰ বিকাশ

Ego Development

(iii) দুখদায়ক আৱেগৰ প্ৰভাৱ

Impact of painful emotion

(iv) কৈশোৰ কালৰ শিক্ষা

Education of adolescence period

(v) আভ্যন্তৰীণ দৈহিক বিকাশ

Internal physical development

## (৬) উত্তৰ লিখা (Write answers) :

(i) কৈশোৰ কালৰ দৈহিক বিকাশৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

Discuss about the characteristics of physical development of adolescence period.

(ii) কৈশোৰ কালৰ দৈহিক বিকাশৰ মনোবৈজ্ঞানিক আৰু শৈক্ষিক তাৎপৰ্য বৰ্ণনা কৰা।

Explain the psychological and educational implications of physical development of adolescence period.

(iii) কৈশোৰ কালৰ মানসিক বিকাশৰ ওপৰত এখন ৰচনা লিখা।

Write an essay on mental development of adolescence.

(iv) কৈশোৰ কালৰ মানসিক বিকাশৰ শৈক্ষিক তাৎপৰ্য বৰ্ণনা কৰা।

Explain the educational implications of mental development of adolescence period.

● ● ●

তৃতীয় অধ্যায়

# সামাজিক বিকাশ
# (Social Development)

- সামাজিক বিকাশৰ বৈশিষ্ট্যবোৰ (Characteristics of Social Development)
- সামাজিক বিকাশত সমনীয়াৰ প্ৰভাৱ (Influence of Peers in Social Development)
- সামাজিক সমাযোজনত প্ৰভাৱিত কৰা কাৰকবোৰ (Factors affecting Social Adjustment)

## প্ৰস্তাৱনা (Introduction)

কোনো ব্যক্তিয়ে অকলে জীৱন অতিবাহিত কৰিব নোৱাৰে। অতীতৰ সভ্যতা-সংস্কৃতি অধ্যয়ন কৰিলেও দেখা যায় যে অতীতৰ অঘৰী ব্যক্তিসকলেও দল বান্ধিয়েই এঠাইৰ পৰা আন এঠাইলৈ অহা যোৱা কৰিছিল। সামাজিক পৰিৱেশত ব্যক্তিয়ে সমাজৰ আদৰ্শ, শৃংখলা, ৰীতি-নীতি আদিবোৰ চলি মানৱীয় গুণসমূহ গঢ়ি তুলিব পাৰে। সমাজৰ সদস্য হিচাপে ব্যক্তিয়ে সমাজৰ পৰম্পৰা আৰু পৰিৱেশৰ বিভিন্ন অৱস্থাৰ লগত সমাযোজন স্থাপন কৰিবলৈ সক্ষম হয়। এই প্ৰক্ৰিয়াকে সামাজিকীকৰণ বোলে। গ্ৰীক চিন্তাবিদ আৰু দাৰ্শনিক এৰিষ্টটলৰ মতে মানুহ সমাজপ্ৰিয় জীৱ; যিয়ে সমাজত বাস কৰিবলৈ ভাল নাপায়, তেওঁ পশু নাইবা দেৱতা হ'ব লাগিব। এজন শিশুৰ জন্মৰ সময়ৰ পৰাই সামাজিক প্ৰৱণতা থাকে। সামাজিক পৰিৱেশত জীৱন অতিবাহিত কৰাৰ ফলত শিশুৰ বয়স বৃদ্ধিৰ লগে লগে সামাজিক প্ৰৱণতাৰ মাত্ৰাও সলনি হয়। শৈশৱ কালত থকা শিশুৰ সামাজিক প্ৰৱণতাৰ মাত্ৰা বাল্যকাল বা কৈশোৰ কালত পৃথক হোৱা দেখা যায়। শিশুসকলক প্ৰদান কৰা শিক্ষাৰ মূল উদ্দেশ্যই হৈছে ব্যক্তিৰ ভাৱ-অনুভূতি আৰু আচৰণক সমাজমুখী কৰি তোলা। এই উদ্দেশ্যৰ ফলস্বৰূপেই ব্যক্তিৰ সুপ্ত-প্ৰতিভাৰ আত্মপ্ৰকাশ আৰু বিকাশৰ পথ প্ৰশস্ত কৰি তুলিব পাৰি। এই দৃষ্টিকোণৰ পৰা কিশোৰ-কিশোৰীসকলৰ সামাজিক বিকাশৰ বিষয়ে অধ্যয়ন কৰাটো তাৎপৰ্যপূৰ্ণ।

## সামাজিক বিকাশৰ ধাৰণা (Concept of Social Development) ঃ

এজন ব্যক্তিৰ সামাজিক আৰু আৱেগিক আচৰণবোৰ অতি নিকটভাৱে সম্বন্ধিত। সেয়ে ইৰ্ষা, লাজ, প্ৰেম আৰু সহানুভূতি আদিক আৱেগিক আৰু সামাজিক-দুয়োপ্ৰকাৰৰ আচৰণ বুলিব পাৰি। সামাজিক বিকাশ হৈছে এক প্ৰক্ৰিয়া যাৰ যোগেদি সমাজৰ অৱস্থাৰ উন্নতি সাধন কৰিব পাৰি। সামাজিক বিকাশৰ জৰিয়তে ব্যক্তিৰ সামাজিক দক্ষতা বৃদ্ধি পায় আৰু ব্যক্তিয়ে ইয়াৰ যোগেদি নিজৰ আচৰণ সংশোধন কৰি ল'ব পাৰে।

সামাজিক বিকাশৰ ধাৰণা স্পষ্টভাৱে উপলব্ধি কৰিবৰ বাবে ইয়াৰ কেতবোৰ সংজ্ঞা তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

হাৰলক (Hurlock) ৰ মত, "সামাজিক বিকাশ মানে সামাজিক সম্বন্ধৰ ক্ষেত্ৰত পৰিপক্কতা লাভ" (Social development means the attaining of maturity in social relationship)।

গেৰেট (Garrett) ৰ মতে অনুসৰি, "সামাজিকীকৰণ বা সামাজিক বিকাশ হ'ল জৈৱিক ব্যক্তিক মানৱ ব্যক্তিলৈ পৰিবৰ্তন কৰা প্ৰক্ৰিয়া" (Socialisation or social development is the process whereby biological individual is converted into human person)।

চোৰেউচন (Soreuson) ৰ ভাষাত, "নিজৰ আৰু আনৰ লগত ভাল থকাৰ দক্ষতা বৃদ্ধিকে আমি সামাজিক বৃদ্ধি আৰু বিকাশ বুলি কওঁ" (By social growth and development, we mean increasing ability to get along well oneself and others)।

ক্ৰ' আৰু ক্ৰ' (Crow and Crow) ৰ দৃষ্টিভংগীত, "সামাজিক আকাংক্ষা অনুসৰি আচৰণ প্ৰদৰ্শন কৰাৰ দক্ষতাকে সামাজিক বিকাশ বোলে" (Social development means acquistion or the ability to behave in accordance with social expectations)।

ওপৰত উল্লেখ কৰা সংজ্ঞাকেইটা বিশ্লেষণ কৰিলে তলত দিয়া দিশবোৰ দেখিবলৈ পোৱা যায়। যেনে—

(ক) সামাজিক বিকাশৰ প্ৰক্ৰিয়া শিশুৰ আগতীয়া শৈশৱকালৰ পৰা আৰম্ভ হয়। যেতিয়া শিশু ডাঙৰ হয় তেতিয়া সমাজৰ আন সদস্যৰ সংযোগত আহে আৰু সামাজিকীকৰণ প্ৰক্ৰিয়া বেছিকৈ বিকশিত হয়। সামাজিক বিকাশৰ প্ৰক্ৰিয়া গোটেই জীৱন চলি থাকে।

(খ) সামাজিক বিকাশে সুস্থ সামাজিক আন্তঃক্ৰিয়াৰ যোগেদি ভাৰসাম্য ব্যক্তিত্ব গঢ় দি তোলে।

(গ) ব্যক্তিয়ে বহুতো সামাজিক গুণ আয়ত্ব কৰে আৰু আত্মকেন্দ্ৰিক দৃষ্টিভংগী পৰিত্যাগ কৰে। ব্যক্তিৰ মনত স্ব-ব্যক্তিৰ ঠাইত স্ব-সমাজে স্থান পায়।

(ঘ) ব্যক্তিয়ে সমাজৰ অন্যান্য ব্যক্তিৰ লগত উপযুক্ত সামাজিক সম্বন্ধৰ বিকাশ ঘটায়।

(ঙ) সামাজিক বিকাশে সামাজিক ঐতিহ্যৰ লগত সামঞ্জস্য ৰাখে।

গতিকে ক'ব পাৰি যে সামাজিক বিকাশ হ'ল এক প্ৰক্ৰিয়া যাৰ যোগেদি ব্যক্তিয়ে সামাজিক পৰিপক্কতা লাভ কৰি তেওঁৰ সামাজিক আচৰণবোৰৰ প্ৰয়োজনীয় সংশোধন কৰিব পাৰে আৰু ইয়ে তেওঁক সামাজিক পৰিৱেশত সুস্থভাৱে সমাযোজন কৰাত সহায় কৰে।

## সামাজিক বিকাশৰ স্তৰবোৰ (Stages of Social Development) ঃ

ব্যক্তি এজনৰ শৈশৱ কালৰ পৰা সামাজিক বিকাশ আৰম্ভ হয় আৰু ই গোটেই জীৱনজুৰি চলি থাকে। সামাজিক বিকাশৰ ক্ষেত্ৰত গ্ৰহণযোগ্য তত্ত্ব আৱিষ্কাৰ কৰাত মনোবিজ্ঞানীসকল বৰ্তমানেও সফল হোৱা নাই। সেয়েহে, কিছুসংখ্যক মনোবিজ্ঞানীয়ে নিজাকৈ কেতবোৰ শ্ৰেণীবিভাজন আগবঢ়াইছে। যেনে—

(ক) মনোবিজ্ঞানী পিয়াজেইে (Piaget) শিশুৰ সামাজিক জীৱনক দুটা ভাগত ভাগ কৰিছে। যেনে—

(i) আত্মকেন্দ্ৰিক স্তৰ (The ego-centric stage) : ১ ৰ পৰা ৬/৭ বছৰ বয়সলৈ আৰু

(ii) সামাজিক স্তৰ (The social stage) : ৭ বছৰৰ ওপৰৰ

প্ৰথম স্তৰটোত শিশু প্ৰধানতঃ স্ব-আত্মাৰ প্ৰতি আগ্ৰহী হয়। তাৰ প্ৰয়োজন আৰু সামাজিক আকাংক্ষা পৰিয়ালৰ পৰিৱেশৰ মাজতে সীমাৱদ্ধ।

দ্বিতীয় স্তৰটোত সামাজিক পৰিৱেশৰ প্ৰতি শিশু সজাগ হৈ থাকে আৰু সামাজিকভাৱে গ্ৰহণযোগ্য আচৰণ প্ৰদৰ্শন কৰে।

(খ) আন এজন মনোবিজ্ঞানী ফেল্ডমেনে (Feldman) সামাজিক বিকাশক চাৰিটা ভাগত বিভক্ত কৰিছে। যেনে—

**(i) গৃহৰ জীৱন (Domestication) :** শিশু এই স্তৰত মাক-দেউতাকৰ তত্বাৱধানত থাকে।

**(ii) প্ৰজন্মৰ অংশ (Parting of Generations) :** এই স্তৰত শিশুৱে মাক-দেউতাকৰ প্ৰভাৱ নোহোৱা কৰে। একে বয়সৰ শিশুৰ লগত দল গঠন কৰাত এই স্তৰত গুৰুত্ব দিয়ে।

**(iii) প্ৰাপ্তবয়স্ক সদৃশ (Quasi-Adulthood) :** এই স্তৰত ল'ৰা-ছোৱালীয়ে প্ৰাপ্তবয়স্কৰ দৰে আচৰণ প্ৰদৰ্শন কৰিবলৈ শিকে। সামাজিক পৰিৱেশত আনৰ উপস্থিতিত ল'ৰা-ছোৱালীয়ে নিজৰ দক্ষতা আৰু ক্ষমতা পৰীক্ষা কৰিব বিচাৰে। কেতিয়াবা ল'ৰা-ছোৱালীয়ে শিশুৰ দৰে আৰু কেতিয়াবা পৰিপক্ক ব্যক্তিৰ দৰে আচৰণ প্ৰদৰ্শন কৰে।

**(iv) সামাজিক পৰিপক্কতা (Social Maturity) :** শিশুৱে এই স্তৰত প্ৰাপ্তবয়স্ক ৰূপ লাভ কৰে আৰু সামাজিক সংস্কৃতিৰ আৰ্হি সম্বন্ধে জানিবলৈ সক্ষম হয়।

(গ) সাধাৰণভাৱে প্ৰায়ভাগ মনোবিজ্ঞানীয়ে সামাজিক বিকাশৰ ক্ষেত্ৰত তলত উল্লেখ কৰা শ্ৰেণীবিভাজনক সমৰ্থন কৰে।

(i) জন্মৰ পৰা ২ বছৰলৈ।

(ii) ২ ৰ পৰা ৬ বছৰলৈ।

(iii) ৬ ৰ পৰা ১২ বছৰলৈ

(iv) কৈশোৰ কাল।

## কৈশোৰ কালৰ সামাজিক বিকাশৰ বৈশিষ্ট্যবোৰ (Characteristics of Social Development of Adolescence Period)

কৈশোৰ কাল দৈহিক, বৌদ্ধিক, আৱেগিক, নৈতিক আৰু সামাজিক বিকাশৰ সময়। কৈশোৰ কালত ব্যক্তিয়ে নিজৰ অস্তিত্বৰ অনুসন্ধান কৰে। বাল্যকালত থকা মাক-দেউতাকৰ প্ৰভাৱ কৈশোৰ কালত ল'ৰা ছোৱালীয়ে নিবিচাৰে বা কমকৈ বিচাৰে। কৈশোৰ কালচোৱাত বিভিন্ন ধৰণৰ পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। সামাজিক বিকাশৰ ক্ষেত্ৰতো এই কালছোৱাত ব্যাপক পৰিবৰ্তন দেখিবলৈ পোৱা যায়। মনোবৈজ্ঞানিক এৰিক এৰিক'চন (Erik Erikson) ৰ মনো-সামাজিক আৰ্হি অনুসৰি, কৈশোৰ কালত প্ৰৱেশ কৰাৰ লগে লগে ল'ৰা-ছোৱালীয়ে নিজক চিনাক্ত কৰাৰ বাবে সংগ্ৰাম কৰে। আকৌ মনোবিজ্ঞানী কলেমেন (Coleman) আৰু হেন্দ্ৰি (Hendry) ৰ মতে কৈশোৰ কাল হ'ল সামাজিক সত্বাৰ বিকাশ আৰু দৃঢ় কৰা, সামাজিক বিশ্বৰ সম্বন্ধত নিজৰ বিকাশ সাধন কৰা এক স্তৰ।

কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ সামাজিক বিকাশৰ স্বৰূপক তলত আলোচনা কৰা বৈশিষ্ট্যবোৰৰ যোগেদি বিশ্লেষণ কৰিব পাৰি।

**(১) সামাজিক সচেতনতা (Social Consciousness) ঃ** কৈশোৰ কালত ল'ৰা-ছোৱালীৰ সামাজিক বিকাশত অৰিহণা যোগোৱা এক দিশ হ'ল সামাজিক সচেতনতা। কিশোৰ-কিশোৰীসকলে এই সময়ছোৱাত নিজকে এজন প্ৰতিক্ৰিয়াশীল, দায়িত্বশীল আৰু সামাজিকভাৱে সচেতন ব্যক্তি বুলি অনুভৱ কৰে। সমাজৰ বিভিন্ন কামত অংশগ্ৰহণ কৰি বৰঙণি আগবঢ়াব বিচাৰে। তেওঁলোকে সমাজৰ এজন সমস্যা হিচাবে নিজৰ অধিকাৰ, দায়িত্ব আৰু কৰ্তব্য আদিৰ প্ৰতি আত্ম-সচেতন হৈ উঠে। সমাজৰ পৰম্পৰা, ৰীতি-নীতি, আদৰ্শ-বিশ্বাস আদিৰ বিষয়ে জানিবলৈ আৰু সেইবোৰ অনুসৰণ কৰিবলৈ কিশোৰ-কিশোৰীসকল সদায় প্ৰস্তুত হৈ থাকে।

**(২) সমনীয়াৰ প্ৰভাৱ (Peer Influence) ঃ** শৈশৱ বা বাল্যকালৰ তুলনাত কৈশোৰ কালত ল'ৰা-ছোৱালীৰ ওপৰত সমনীয়াসকলৰ প্ৰভাৱ বেছিকৈ পৰে। এই সময়ছোৱাত তেওঁলোকে বন্ধুৰ লগত বেছিকৈ আৰু মাক-দেউতাকৰ লগত কমকৈ সময় অতিবাহিত কৰে। ইয়াৰ ফলত ল'ৰা-ছোৱালীৰ চিন্তা আৰু আচৰণত বন্ধু বা সমনীয়াৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। সমনীয়াৰ মনোভাৱ, আচৰণ, চিন্তা আদিয়ে ল'ৰা-ছোৱালীৰ ওপৰত সুস্থ-অসুস্থ দুয়ো ধৰণৰ প্ৰভাৱেই পেলায়। উদাহৰণস্বৰূপে সমনীয়াৰ প্ৰভাৱে ল'ৰা-ছোৱালীক ভাল পাৰদৰ্শিতা দেখুওৱা, খেল-ধেমালিত অংশ গ্ৰহণ কৰা আদি কাৰ্যত সহায় কৰে। আকৌ সমনীয়াৰ বেয়া সংগই তেওঁলোকক বিপথেও পৰিচালিত কৰিব পাৰে।

**(৩) বিপৰীত লিংগৰ লগত সম্বন্ধ (Relationship with Opposite Sex) ঃ** কৈশোৰ কালৰ সামাজিক বিকাশত অৰিহণা যোগোৱা আন এক দিশ হ'ল বিপৰীত লিংগৰ ব্যক্তিৰ লগত কিশোৰ-কিশোৰীৰ উন্নত সম্বন্ধ স্থাপন কৰা। তেওঁলোকে এইক্ষেত্ৰত সমবয়সৰ ব্যক্তিৰ ক্ষেত্ৰত অধিক প্ৰাধান্য দিয়ে। সমাজৰ বিভিন্ন ক্ৰিয়া-কলাপত কৰা অংশ গ্ৰহণৰ যোগেদি আৰু সামাজিক আন্তঃক্ৰিয়াৰ যোগেদি উন্নত সম্বন্ধ স্থাপন কৰা যায়। ইয়ে কিশোৰ-কিশোৰীৰ মনত ইতিবাচক মনোভাৱৰ সৃষ্টি কৰিব আৰু যৌন প্ৰৱণতাৰ বাবে বিপথে পৰিচালিত হোৱা কিশোৰ-কিশোৰীৰ সমস্যা নিৰাময়ত সহায় কৰিব। শৈশৱ বা বাল্যকালত এই সম্বন্ধ দেখিবলৈ পোৱা নাযায়।

**(৪) আনক সহায়ৰ প্ৰৱণতা (Tendency of Help others) ঃ** কিশোৰ-কিশোৰীসকলে আনৰ সমস্যাক আওঁকান নকৰে। আনৰ সুবিধা আৰু সমস্যাৰ প্ৰতি তেওঁলোকে সজাগ হৈ থাকে। আনৰ সমস্যা সমাধান কৰাৰ বাবে তেওঁলোকে প্ৰচেষ্টা চলায়। নিজৰ মাক-দেউতাককো এই ক্ষেত্ৰত সহায় আগবঢ়াবৰ বাবে তেওঁলোকে অভিৰোচিত কৰে। কিশোৰ-কিশোৰীৰ সামাজিক, মানসিক আৰু নৈতিক বিকাশ সাধনৰ বাবে আনক সহায় কৰাৰ প্ৰৱণতা অতি প্ৰয়োজনীয়। এই প্ৰৱনতাই কিশোৰ-কিশোৰীৰ আত্মসন্মান আৰু আত্ম বিশ্বাস বৃদ্ধি কৰে। আনক সহায় কৰা কাৰ্যই কিশোৰ-কিশোৰীৰ মনত আত্ম সন্তুষ্টি প্ৰদান কৰে।

**(৫) আত্ম-সন্মানবোধ (Self Sentiment) ঃ** কৈশোৰ কালৰ সামাজিক বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলোৱা এক দিশ হ'ল কিশোৰ-কিশোৰীৰ আত্ম-সন্মানবোধ ভাৱ। সামাজিক পৰিপক্কতা লাভ কৰি উঠা বাবে তেওঁলোকে সমাজত আচৰণ বা প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰাৰ বেলিকা আত্মসন্মাবোধ ভাৱ অনুভৱ কৰে। আত্ম-সন্মানবোধ ভাৱৰ বাবে সমাজত তেওঁলোকে গ্ৰহণযোগ্য আচৰণ প্ৰদৰ্শন কৰে যি আচৰণ

আত্ম-নিয়ন্ত্ৰিত, নীতি-নিষ্ঠ আৰু সামাজিকভাৱে গ্ৰহণযোগ্য বিধৰ। আত্ম সন্মানবোধ ভাৱৰ বিকাশৰ ফলতেই তেওঁলোকে সমাজত সভ্য আচৰণ কৰে।

**(৬) নেতৃত্ব প্ৰদানৰ যোগ্যতা (Ability of Leadership) ঃ** কিশোৰ-কিশোৰীয়ে এই সময়ছোৱাত নেতৃত্ব প্ৰদানৰ প্ৰৱণতা অনুভৱ কৰে। ইয়াৰ কাৰণ হ'ল তেওঁলোকৰ আত্ম-শক্তি, ক্ষমতা আৰু যোগ্যতা। সমাজৰ বিভিন্ন বিষয় আৰু সমস্যা আদিৰ ক্ষেত্ৰত তেওঁলোকে নীৰৱ শ্ৰোতা বা নিৰপেক্ষ ব্যক্তি হৈ থাকিব নিবিচাৰে। ইয়াৰ বিপৰীতে বিষয় বিশ্লেষণৰ বাবে বা সমস্যা সমাধানৰ বাবে নেতৃত্ব প্ৰদান কৰাৰ ক্ষেত্ৰত সমাজৰ ব্যক্তিসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত হৈ উঠিব বিচাৰে। সমাজৰ বিভিন্ন ক্ষেত্ৰত যোগ্য নেতৃত্ব প্ৰদান কৰি বিভিন্ন সামাজিক সমস্যা সমাধান কৰাৰ প্ৰৱণতা তেওঁলোকৰ বৃদ্ধি পাই উঠে। ইয়াৰ উপৰিও দেখা যায় যে সামাজিক সচেতনতা আৰু নেতৃত্ব প্ৰদানৰ যোগ্যতাৰ বিকাশৰ ফলস্বৰূপে কিশোৰ-কিশোৰীয়ে শেহতীয়া কৈশোৰ কালৰ সময়ছোৱাত সক্ৰিয় ৰাজনীতিৰ প্ৰতি আগ্ৰহী হয়।

**(৭) প্ৰাপ্তবয়স্কৰ লগত সম্বন্ধ স্থাপন (Association with the Adults) ঃ** সামাজিক স্বাৰ্থৰক্ষাৰ বাবে সমাজ সচেতন কিশোৰ-কিশোৰীসকলে সমাজৰ দায়িত্বশীল প্ৰাপ্তবয়স্ক ব্যক্তিসকলৰ লগত সু-সম্বন্ধ স্থাপন কৰে। নিজৰ সামাজিক দক্ষতা বিকশাই তুলিবৰ বাবে এইসকল ব্যক্তিৰ পৰা পৰামৰ্শ গ্ৰহণ কৰিবলৈ বিচাৰে। সমাজৰ বিভিন্ন দিশত কিশোৰ-কিশোৰীসকলক প্ৰাপ্তবয়স্ক ব্যক্তিসকলৰ সহায়ৰ প্ৰয়োজন হয় যায় সহায়ত তেওঁলোকে সামাজিক কাৰ্যসূচী, উৎসৱ-পাৰ্বন আদি আস্থা-নিষ্ঠাৰে পালন কৰাৰ বাবে নিজকে প্ৰস্তুত কৰি ল'ব পাৰে।

**(৮) দেশপ্ৰেমৰ ভাৱ (Sense of Patriotism) ঃ** কৈশোৰ কালত ল'ৰা-ছোৱালীৰ সামাজিক প্ৰৱনতাৰ বিকাশৰ বাবে দেশপ্ৰেমৰ ভাৱ বৃদ্ধি পাই উঠে। নিজৰ দেশ তথা জাতিৰ বাবে কিবা এটা কৰাৰ প্ৰৱণতা তেওঁলোকৰ জাগি উঠে। সেয়েহে দেখা যায় যে এই কালৰ বহুতো ল'ৰা-ছোৱালীয়ে সৈন্য বাহিনীত যোগ দিয়ে, সমাজ সেৱাৰ বাবে নিজৰ জীৱন আগুৱাই নিয়ে। নিজ দেশৰ ভাষা-সংস্কৃতি, ৰীতি-নীতি আদিক লৈ তেওঁলোকে গৌৰৱো অনুভৱ কৰে।

**(৯) অন্তৰংগ বন্ধুৰ বাচনি (Selection of Intimate Friend) ঃ** বাল্যকালৰ বন্ধুত্বৰ তুলনা কৈশোৰ কালত গঢ় লৈ উঠা বন্ধুত্ব অধিক স্থায়ী আৰু সুদূৰ প্ৰসাৰী বিধৰ হৈ উঠে। এই কালত বন্ধুত্ব বাচনিৰ বেলিকা আগ্ৰহ, অভিৰুচি, সামাজিক মানদণ্ড, মূল্যবোধ আদিয়ে বিশেষ প্ৰাধান্য লাভ কৰে। বিচাৰ-বিবেচনাই বন্ধুত্ব বাচনিত বিশেষ ভূমিকা গ্ৰহণ কৰে। অধিক সংখ্যক বন্ধু থকাৰ পৰিৱৰ্তে দুই চাৰিজন অতি অন্তৰংগ বন্ধু থকাটো বিচাৰে যাৰ লগত মনৰ সকলো কথা খুলি ক'ব পাৰে, বিশ্বাস কৰিব পাৰে আৰু বিপদৰ সময়ত নিৰ্ভৰশীল হ'ব পাৰে।

**(১০) অসামাজিক আৰু অপৰাধমূলক আচৰণ (Unsocial and Delinquent Behaviour)** ঃ বিভিন্ন দলৰ অসুস্থ প্ৰভাৱৰ ফলস্বৰূপে এই সময়ৰ ল'ৰা-ছোৱালীবোৰ অসামাজিক আৰু অপৰাধমূলক কামত লিপ্ত হোৱা দেখা যায়। গৃহ, শিক্ষা আৰু সামাজিক পৰিৱেশত অপসমাযোজিত হৈ পৰি তেওঁলোকে নিজৰ বিকৃত ৰুচি, অৱদমিত ইচ্ছা আৰু মনৰ কামনা আদি পূৰ কৰাৰ বাবে বিভিন্ন ধৰণৰ অসুস্থ সমাজ বিৰোধী আৰু অপৰাধমূলক কাৰ্য কলাপত লিপ্ত হয়। সমাজৰ গ্ৰহণযোগ্য নীতি-নিয়ম আৰু আইন বিৰোধী ক্ৰিয়া কলাপ কৰি এক প্ৰতিশোধ প্ৰদান আৰু ক্ষতিপূৰণৰ মনোভাৱ গ্ৰহণ কৰে।

**(১১) সক্ৰিয় ৰাজনীতিৰ মনোভাৱ (Sense of Active Politics)** ঃ সামাজিক দিশৰ বিকাশৰ বাবে কিশোৰ-কিশোৰীৰ মন সক্ৰিয় ৰাজনীতিৰ প্ৰতিও ঢাল খাই উঠে। বিভিন্ন ৰাজনৈতিক দলৰ নীতি, আদৰ্শ আৰু চিন্তাদৰ্শন আদিৰ বিষয়ে জানিবলৈ মনত আগ্ৰহৰ জন্ম হয়। এখন দেশৰ সকলো সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাৰ একো একোটা চিন্তা দৰ্শন আছে বুলি কিশোৰ-কিশোৰীয়ে অনুভৱ কৰি উঠে। এই সমস্যা সমাধান কৰিবৰ বাবে কোনো এটা উপযুক্ত ৰাজনৈতিক দলৰ আদৰ্শ আৰু চিন্তা-দৰ্শন গ্ৰহণ কৰা উচিত। সক্ৰিয় ৰাজনীতিৰ মনোভাৱ বিকাশত ৰাজনৈতিক নেতা সকলেও কিশোৰ-কিশোৰীক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অভিৰোচিত কৰে।

**(১২) জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয় সমস্যাৰ প্ৰতি আগ্ৰহ (Interest in National and International Problems)** ঃ কিশোৰ-কিশোৰীৰ সামাজিক আগ্ৰহ লাহে লাহে বৃদ্ধি হয়। তেওঁলোকৰ আগ্ৰহ পৰিয়াল আৰু ওচৰ-চুবুৰীয়াতে সীমাবদ্ধ নাথাকি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়লৈও অগ্ৰসৰ হয়। দৰিদ্ৰ লোকৰ অৱস্থা, অন্যায় আৰু শোষণে তেওঁলোকক দুখ দিয়ে। সেয়েহে শক্তিশালী লেখক আৰু আদৰ্শ নেতাৰ দ্বাৰা তেওঁলোক সহজে প্ৰভাৱিত হয়। কৈশোৰ কালৰ আৰম্ভণিতে তেওঁলোকৰ সামাজিক আচৰণ বিদ্ৰোহত্মক প্ৰকৃতিৰ হয় যদিও কিছু অভিজ্ঞতা লাভৰ পিছত এই আচৰণৰ সলনি হয়।

আমেৰিকাৰ মনোবৈজ্ঞানিক সংগঠন (American Psychological Association, 2002) ৰ মতে, কিশোৰ-কিশোৰীৰ সামাজিক বিকাশৰ প্ৰধান বৈশিষ্ট্যবোৰ তলত দিয়া তালিকাৰ সহায়ত বিশ্লেষণ কৰিব পাৰি।

| সামাজিক দল | আগতীয়া কৈশোৰকাল (৯-১৩ বছৰলৈ) | মধ্যৱৰ্ত্তী কৈশোৰকাল (১৪-১৬ বছৰলৈ) | শেহতীয়া কৈশোৰকাল (১৭-১৯ বছৰলৈ) |
|---|---|---|---|
| সমনীয়া | • পৰিয়ালৰ পৰা বন্ধুলৈ সামাজিক বিশ্বৰ কেন্দ্ৰ ৰূপান্তৰ।<br>• সম লিংগৰ সমনীয়াৰ লগত সম্বন্ধ স্থাপন।<br>• সমনীয়াৰ দলৰ গ্ৰহণযোগ্যতাৰ আশা | • সমনীয়া দল একবিশেষ বন্ধু আৰু প্ৰণয়লৈ ৰূপান্তৰ।<br>• উভয় লিংগৰ সমনীয়াৰ দল।<br>• প্ৰণয়ৰ বাবে আনন্দ আৰম্ভ।<br>• কম বিৰোধহীনতা আৰু ব্যক্তিগত পাৰ্থক্যত অধিক সহ্যগুণ। | • গভীৰ আন্তৰিক সম্বন্ধৰ বিকাশৰ আৰম্ভণি |
| পৰিয়াল | | • কিশোৰ-কিশোৰী আৰু তেওঁলোকৰ মাক-দেউতাকৰ লগত সংঘৰ্ষ বৃদ্ধি।<br>• উচ্চ বিপদজনক আচৰণৰ বিপৰীতে পৰিয়ালৰ আন্তৰিকতা হ'ল নিৰাপদ কাৰক। | • সমনীয়াৰ প্ৰভাৱৰ লগত পৰিয়ালৰ প্ৰ ভাৱৰ ভাৰসাম্যতা স্থাপন। |

গতিকে ক'ব পাৰি যে কিশোৰ-কিশোৰীৰ সৰ্বাংগীন বিকাশত সামাজিক দিশৰ বিকাশে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। সামাজিক দিশৰ বিকাশৰ যোগে কিশোৰ-কিশোৰীয়ে সমাজত নিজক সামাজিকভাৱে গ্ৰহণযোগ্য কৰি তুলিব পাৰে।

## কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত শিক্ষকৰ ভূমিকা (Role of Teachers in Social Development of Adolescents) ঃ

কিশোৰ-কিশৌৰীসকলৰ সামাজিক বিকাশৰ বিভিন্ন দিশবোৰ সুস্থভাৱে পৰিচালিত কৰাটো অতি প্ৰয়োজনীয়। সামাজিক বিকাশৰ দিশবোৰ শুদ্ধ পথেৰে পৰিচালিত কৰাৰ ক্ষেত্ৰত বিভিন্নজনৰ সহায় সহযোগিতাৰ প্ৰয়োজন হয়। শুদ্ধ দিশেৰে সামাজিক দিশৰ বিকাশ সাধন কৰাতো বিদ্যালয়ৰ শিক্ষকে

গ্ৰহণ কৰা বিভিন্ন পদক্ষেপবোৰ তলত উল্লেখ কৰা ধৰণৰ—

(ক) বিদ্যালয়ত বিভিন্ন ধৰণৰ অনানুষ্ঠানিক সামাজিক কাৰ্যসূচী অনুষ্ঠিত কৰিব লাগে। ইয়াৰ সহায়ত কিশোৰ-কিশোৰীসকলে এজন আনজনৰ ওচৰ চপা আৰু আগ্ৰহ আৰু আকাংক্ষা বুজি উঠিব পাৰে। এই কাৰ্যসূচীবোৰে সকলো কিশোৰ-কিশোৰীৰ প্ৰয়োজন পূৰণ কৰিব পাৰে।

(খ) বিদ্যালয়বোৰে ক্ষেত্ৰ ভ্ৰমণ আৰু বনভোজৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ সহায়ত এই কাৰ্যত অংশ গ্ৰহণ কৰা দলৰ সদস্যসকলৰ মাজত আন্তৰিকতা বৃদ্ধি পাব। কিশোৰ-কিশোৰীৰ মাজত সহযোগিতা বৃদ্ধি কৰাটো এই কাৰ্যসূচীয়ে সহায় কৰিব।

(গ) দলীয় খেল-ধেমালি, তৰ্ক প্ৰতিযোগিতা আৰু আলোচনাচক্ৰ আদিৰ ব্যৱস্থা কৰিব লাগে। এইবোৰত কৰা অংশগ্ৰহণৰ যোগেদি কিশোৰ-কিশোৰীসকলে সামাজিক কাম-কাজত অংশ গ্ৰহণৰ প্ৰশিক্ষণ লাভ কৰিব পাৰে।

(ঘ) শিক্ষকসকলে সকলো কিশোৰ-কিশোৰীৰ আৰ্থ-সামাজিক অৱস্থা আৰু সামাজিক আগ্ৰহ জনাৰ প্ৰয়াস কৰিব লাগে আৰু সেই অনুসৰি বিভিন্ন কাৰ্যসূচী সংগঠিত কৰিব লাগে।

(ঙ) শিক্ষা সমাপ্তি কৰাৰ পিছত সকলো কিশোৰ-কিশোৰীয়ে কোনো এক নিৰ্দিষ্ট বৃত্তিত নিজক নিয়োজিত কৰিবৰ বাবে চেষ্টা কৰিব। এই ক্ষেত্ৰত কিশোৰ-কিশোৰীৰ বিশেষ জ্ঞান নাথাকে। সমাজত প্ৰচলিত বিভিন্ন বৃত্তিবোৰ সম্বন্ধে বিদ্যালয় কৰ্তৃপক্ষই তেওঁলোকক জ্ঞান প্ৰদান কৰিব লাগে। নতুন বৃত্তিৰ বিষয়েও জ্ঞান দিব লাগে আৰু এই বৃত্তিবোৰত কেনেকৈ নিজক সমাযোজিত কৰিব লাগে তাৰ জ্ঞানো প্ৰদান কৰিব লাগে।

(চ) শিক্ষকে কিশোৰ-কিশোৰীসকলক প্ৰাপ্তবয়স্ক ব্যক্তিৰ আচৰণ, মানদণ্ড আৰু আদৰ্শ আদিৰ বিষয়েও জ্ঞান প্ৰদান কৰিব লাগে।

(ছ) সু-নাগৰিকতাৰ বিভিন্ন গুণসমূহ বিকশাই তোলাটো কিশোৰ-কিশোৰীসকলক বিদ্যালয়ৰ শিক্ষকসকলে সহায় কৰিব লাগে।

## কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত পৰিয়ালৰ প্ৰভাৱ (Influence of Family in Social Development of Adolescents) :

পৰিয়াল হ'ল ল'ৰা-ছোৱালীৰ শিক্ষা আৰু বিকাশৰ প্ৰাণকেন্দ্ৰ। শিক্ষা আৰু বিকাশৰ আটাইতকৈ প্ৰাচীন অনুষ্ঠান হ'ল পৰিয়াল। সভ্যতাৰ আৰম্ভণিৰ পৰাই ল'ৰা-ছোৱালীৰ বিকাশত পৰিয়ালৰ ভূমিকা অপৰিহাৰ্য। বালাৰ্ড (Ballard) ৰ মতে, "পৰিয়াল হৈছে প্ৰকৃত সামাজিক অনুষ্ঠান, যাৰ পৰা আন আন অনুষ্ঠান সমূহৰ বিকাশ হৈছে।" পৰিয়ালৰ মাজত শিশুৰ লালন পালন হয় আৰু পৰিয়ালেই ল'ৰা-ছোৱালীৰ সামাজিকীকৰণৰ প্ৰথম আৰু প্ৰধানকেন্দ্ৰ। ল'ৰা-ছোৱালীয়ে পৰিয়ালৰ আন আন সদস্যৰ লগত সম্পৰ্ক গঢ়ি তোলাৰ লগতে সামাজিক জীৱনৰো আভাস গ্ৰহণ কৰে। শিশুৰ বিকাশৰ

প্ৰথম দুটা স্তৰক্ৰমে শৈশৱ আৰু বাল্যকালত পৰিয়ালৰ প্ৰভাৱ বেছিকৈ পৰা দেখা যায়। কৈশোৰ কালৰ পৰা সামাজিক তথা অন্যান্য বিকাশৰ ক্ষেত্ৰত পৰিয়ালৰ প্ৰভাৱ কম হয় বুলি ভবা হয় যদিও প্ৰকৃতাৰ্থত এয়া সত্য নহয়। কিশোৰ-কিশোৰীৰ সামাজিক বিকাশ আৰু সামাজিক সম্বন্ধ স্থাপনত পৰিয়ালে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

অনানুষ্ঠানিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হ'ল পৰিয়াল। এই পৰিয়ালতেই কিশোৰ-কিশোৰীসকলে সামাজিক জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় সকলো আচৰণ গঢ়ি তুলিব পাৰে। যিসকল কিশোৰ-কিশোৰী কৰ্তৃত্বশীল পৰিয়ালৰ সেইসকলে অতি উপযুক্তভাৱে সামাজিক পৰিৱেশত সমাযোজন কৰিব পাৰে, দক্ষতাৰ বিকাশ সাধন কৰিব পাৰি। ১৯৯৪ চনত একিউলিন' (Aqulino)ই গৱেষণাৰ জৰিয়তে কৈছিল যে কিশোৰ-কিশোৰীৰ আত্ম-বিকাশৰ বাবে পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আকৌ পৰিয়ালৰ পিতৃ-মাতৃৰ অত্যাধিক নিয়ন্ত্ৰণে কিশোৰ-কিশোৰীৰ আত্ম-মৰ্যদা নেতিবাচক দিশেৰে পৰিচালিত কৰে। সেয়েহে কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ লগত মাক-দেউতাক অত্যাধিক নিয়ন্ত্ৰণৰ বিপৰীতে আন্তৰিকতা সম্বন্ধ গঢ়ি তুলিব লাগে।

যিসকল কিশোৰ-কিশোৰীয়ে পৰিয়ালৰ সদস্যসকলৰ লগত ভাল সম্বন্ধ ৰক্ষা কৰি চলে সেইসকলে ধূমপান কৰা, মাদক দ্ৰব্য সেৱন কৰা আৰু মাৰপিট কৰা আদি দুষ্কাৰ্যৰ পৰা নিজক আঁতৰত ৰাখিব পাৰে। সমাজত ব্যক্তিসকলৰ লগত কেনেদৰে সম্বন্ধ স্থাপন কৰিব লাগে, ভৱিষ্যতৰ বৃত্তীয় জীৱনৰ বাবে নিজক কেনেদৰে প্ৰস্তুত কৰিব লাগে আদি বিভিন্ন দিশত কিশোৰ-কিশোৰীক পৰিয়ালৰ লোকে সহায় কৰে।

কৈশোৰ কালত ল'ৰা-ছোৱালীৰ পৰিয়ালৰ লগত সম্বন্ধৰ পৰিৱৰ্তন ঘটে। এই সময়ছোৱাত তেওঁলোকক পৰিয়ালৰ লোকসকলে আন্তৰিকতাপূৰ্ণ আৰু বন্ধুত্বপূৰ্ণ সম্বন্ধ ৰক্ষা কৰি নিৰ্দেশনা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰকাৰৰ নিৰ্দেশনাৰ সহায়ত কিশোৰ-কিশোৰীয়ে সামাজিক সম্বন্ধৰ মনোভাৱ বিকশাই তুলিব পাৰে।

বহুতো কিশোৰ-কিশোৰীৰ বাবে পৰিয়াল আৰু মাক-দেউতাক হ'ল যত্ন আৰু আৱেগিক সহায়ৰ উৎস। পৰিয়ালে কিশোৰ-কিশোৰীক প্ৰায়োগিক, বৃত্তীয় আৰু বস্তুগত সহায়-সহযোগিতা প্ৰদান কৰিব লাগে। ইয়াৰ ফলত বিপদৰ সন্মুখীন হ'লে কিশোৰ-কিশোৰীয়ে অকলশৰীয়া অনুভৱ কৰিব নোৱাৰে। সামাজিক জীৱন সম্বন্ধীয় সকলো আদৰ্শ আৰু সামাজিক জীৱন পৰিচালনাৰ বাবে প্ৰয়োজনীয় সকলো শিক্ষা পৰিয়ালৰ পৰিৱেশতেই কিশোৰ-কিশোৰীয়ে লাভ কৰে। ইয়াৰ উপৰিও কিশোৰ-কিশোৰীয়ে পৰিয়ালতেই সামাজিক জীৱনৰ প্ৰগতিৰ বাবে চিন্তা আৰু কাম কৰা, মানৱীয় সংযোগ আৰু সম্বন্ধ গতিশীল কৰা, সুনাগৰিকতাৰ শিক্ষা আৰু আদৰ্শ জীৱন-যাপনৰ শিক্ষা লাভ কৰিব পাৰে।

কিশোৰ-কিশোৰীসকলৰ সামাজিক-সম্বন্ধৰ বিকাশত পৰিয়ালৰ ভূমিকাৰ কেতবোৰ দিশ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

(১) কিশোৰ-কিশোৰীৰ আত্ম বিশ্বাস, আত্ম মৰ্যদা আৰু ব্যক্তিত্ব গঢ় দি তোলাত পৰিয়ালে সহায় কৰে।

(২) কিশোৰ-কিশোৰীসকলক সু-সমাযোজিত কৰা, পৰিপক্ক, প্ৰাপ্তবয়স্ক কৰি তোলা আদিৰ ক্ষেত্ৰতো পৰিয়ালে ভূমিকা গ্ৰহণ কৰে।

(৩) পৰিয়ালত একেলগে খোৱা, ভ্ৰমণলৈ যোৱা, চিনেমা চাবলৈ যোৱা আদি কাৰ্যৰ যোগেদিও কিশোৰ-কিশোৰীয়ে সামাজিক সম্বন্ধৰ গুৰুত্ব উপলব্ধি কৰিব পাৰে।

(৪) পৰিয়ালে কিশোৰ-কিশোৰীক সামাজিকীকৰণৰ বাবে প্ৰয়োজনীয় বিভিন্ন ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্মীয় বিশ্বাস-সামাজিক আদৰ্শ আদিৰ বিষয়ে জ্ঞান দিয়ে। ইয়াৰ জৰিয়তে কিশোৰ-কিশোৰীয়ে প্ৰবৃত্তিৰ বিকাশ সাধন কৰিব পাৰে।

(৫) কিশোৰ-কিশোৰীসকলক একতা আৰু সংহতিৰ জ্ঞান প্ৰদানটো পৰিয়ালে সহায় কৰে। ইয়াৰ জৰিয়তে যিকোনো সংকটৰ মুখামুখি হ'বৰ বাবে তেওঁলোকে সাহস পায়।

(৬) পৰিয়ালে কেৱল কিশোৰ-কিশোৰীসকলক নিৰাপত্তাই প্ৰদান নকৰে, লগতে তেওঁলোকৰ আচৰণ আৰু সম্বন্ধ সমূহো নিয়ন্ত্ৰণ কৰে।

(৭) সামাজিক জীৱন আৰু সামাজিক সম্বন্ধৰ বাবে প্ৰয়োজনীয় বিভিন্ন গুণ যেনে—দয়া, ক্ষমা, সহানুভূতিশীলতা আদিও কিশোৰ-কিশোৰীয়ে পৰিয়ালতেই বিকশাই তুলিব পাৰে।

(৮) পৰিয়ালৰ লোকসকলে কিশোৰ-কিশোৰীক সু-অভ্যাস গঠন আৰু কু-অভ্যাস আঁতৰ কৰাৰ বাবে উৎসাহ উদ্দীপনা প্ৰদান কৰে।

(৯) আৱেগিক নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰাটো পৰিয়ালে সহায় আগবঢ়ায়।

(১০) কিশোৰ-কিশোৰীক আত্ম-নিৰ্ভৰশীলতাৰ শিক্ষাও পৰিয়ালতেই প্ৰদান কৰা হয়।

গতিকে ক'ব পাৰি যে কিশোৰ-কিশোৰীৰ সামাজিক সম্বন্ধৰ ক্ষেত্ৰত পৰিয়ালে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়া হ'লেও কৈশোৰ কালছোৱাত ল'ৰা-ছোৱালীৰ লগত পৰিয়ালৰ সম্বন্ধ অধিক দৃঢ় নহয়। ইয়াৰ ফলত কিশোৰ আৰু তেওঁলোকৰ মাক-দেউতাকৰ মাজত বিৰোধাত্মক আচৰণ দেখিবলৈ পোৱা যায়। ইয়াৰ ফলস্বৰূপে কিশোৰ-কিশোৰীয়ে প্ৰায়েই নিজৰ সমস্যা মাক-দেউতাকৰ লগত আলোচনা কৰিবলৈ নিবিচাৰে। ইয়াৰ কাৰণ স্বৰূপে প্ৰজন্ম ব্যৱধান (Generation gap) ৰ কথাও উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰিও স্বাধীনতাৰ প্ৰৱণতাৰ বাবে কিশোৰ-কিশোৰীয়ে মাক-দেউতাকৰ পৰা কিছু পৰিমাণে আঁতৰি থাকে। মাক-দেউতাকৰ লগত কিশোৰ-কিশোৰীৰ কিছু পৰিমাণে ব্যৱধান থাকিলেও তেওঁলোকৰ সামাজিক সম্বন্ধৰ বিকাশত পৰিয়ালে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

## কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত সমনীয়াৰ প্ৰভাৱ (Influence of Peers in Social Development of Adolescents) :

কৈশোৰ কালৰ সামাজিক বিকাশৰ আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰা কাৰকটো হ'ল সমনীয়া। শিশুসকলক ডাঙৰ হোৱাৰ লগে লগে সমনীয়া বা বন্ধুৰ লগত বেছি আৰু পৰিয়ালৰ লগত কম সময় অতিবাহিত কৰে। ইয়াৰ ফলত কিশোৰ-কিশোৰীৰ চিন্তা আৰু আচৰণত সমনীয়াৰ প্ৰভাৱ পৰে।

কিশোৰ-কিশোৰীৰ আৱেগিক পৰিপক্কতা বৃদ্ধিৰ লগে লগে সমনীয়াৰ লগত তেওঁলোকৰ সম্বন্ধ পৰিৱৰ্তিত হয় যি সম্বন্ধ আৱেগিকভাৱে অধিক আন্তৰিকতাপূৰ্ণ। কিশোৰ-কিশোৰীসকলে সমনীয়াৰ লগত অধিক নিকট সম্বন্ধ গঢ়ি তোলে। সাধাৰণতে আৰম্ভণিৰ কৈশোৰ কালত উভয়লিংগৰ সমনীয়াৰ লগত কিশোৰ-কিশোৰী সামাজিক সম্বন্ধ গঢ়ি তোলে। আকৌ শেহতীয়া কৈশোৰ কালত বিপৰীত লিংগৰ সমনীয়াৰ লগত ৰোমাণ্টিক সম্বন্ধ গঢ়ি তোলে।

বিশিষ্ট মনোবিজ্ঞানী যিতা পোলাস্কী (Zita Polasky) ৰ মতে, "সমনীয়াৰ দলে ল'ৰা-ছোৱালীৰ সামাজিক বিকাশত সহায় কৰে' (Peer groups help in the social development of children) আৰু "কিশোৰ-কিশোৰীৰ সামাজিক বিকাশৰ আচৰণৰ প্ৰধান অস্ত্ৰ হ'ল সমনীয়াৰ দল" (Peer group is an important sword of social development of adolesecence behaviour)। পোলাস্কীৰ মতে কিশোৰ-কিশোৰীৰ সামাজিক সম্বন্ধৰ বিকাশৰ ক্ষেত্ৰত সমনীয়াৰ দলৰ বিভিন্ন কাৰ্যবোৰ তলত উল্লেখ কৰা ধৰণৰ—

(i) কিশোৰ-কিশোৰীৰ আত্ম পৰিচয় দাঙি ধৰাত সমনীয়া দলে সহায় কৰে।
(ii) কিশোৰ-কিশোৰীৰ উপযুক্ত আচৰণৰ বাবে সমনীয়া দলে আৰ্হি প্ৰস্তুত কৰে।
(iii) কিশোৰ-কিশোৰীৰ প্ৰকৃত যৌনতা প্ৰাপ্তিৰ চিনাক্তকৰণত সমনীয়াৰ দলে সহায় কৰে।
(iv) সমনীয়া দলে কিশোৰ-কিশোৰীক আৱেগিক সমৰ্থন প্ৰদান কৰে।
(v) সমনীয়া দলে সামাজিক সচেতনতা বৃদ্ধিত সহায় কৰে।

কিশোৰ-কিশোৰীসকলক সমনীয়া দলে গ্ৰহণ কৰাটো কৈশোৰ কালৰ এক গুৰুত্বপূৰ্ণ বিষয় আৰু সেয়ে কিশোৰ-কিশোৰীসকলে সমনীয়াৰ লগত সাদৃশ্য ৰাখিবৰ বাবে আচৰণ, কথা-বতৰা, সাজ-পোছাক নিৰ্বাচন আৰু কাম-কাজ আদিবোৰ সংশোধন কৰে। সমনীয়াৰ লগত সাদৃশ্য বৃদ্ধি কৰি তেওঁলোকে নিৰাপত্তা আৰু স্বীকৃতিৰ ভাৱ অনুভৱ কৰে। বিকশিত মনোবিজ্ঞানী এৰিক এৰিকচনে (Erik Erickson) বিকাশৰ এই স্তৰক অস্তিত্ব সংকট বনাম অস্তিত্ব বিশৃংখল (Crisis of identity vs. identity confusion) স্বৰূপে বৰ্ণনা কৰিছে।

সমনীয়াৰ দলে কিশোৰ-কিশোৰীৰ বৌদ্ধিক বিকাশ আৰু আৱেগিক পৰিপক্কতা লাভতো সহায় কৰে। সঠিক সিদ্ধান্ত গ্ৰহণৰ বাবে তেওঁলোকে এজনে আনজনক উৎসাহিত কৰিব পাৰে আৰু বিপদজনক বাচনি কৰিলে নিৰুৎসাহ প্ৰদান কৰে।

সমনীয়াৰ লগত একেলগে আগুৱাই যাবৰ বাবে কিশোৰ-কিশোৰীসকলে নিজৰ বন্ধুৰ দৰে একে কৰ্মত অংশ গ্ৰহণ কৰে। ইয়াৰ সহায়ত তেওঁলোকে একেলগে অধিক সময় অতিবাহিত কৰিব পাৰিব, অভিজ্ঞতা ভগাই লব পাৰিব আৰু সম্বন্ধ দৃঢ় কৰিব পাৰিব। সাধাৰণতে, কিশোৰ-কিশোৰী একে আগ্ৰহ আৰু কাৰ্য সম্পাদন কৰা, একে সাংস্কৃতিক পৰিৱেশৰ, একে দৃষ্টিভংগীৰ সমনীয়াৰ দলৰ প্ৰতি আকৰ্ষিত হয়। আকৌ, পৰীক্ষা-নিৰীক্ষা কৰি ভাল পোৱা কিশোৰ-কিশোৰী বেলেগ আগ্ৰহ থকা সমনীয়াৰ দলৰ প্ৰতিও আগ্ৰহী হয়।

কিশোৰ-কিশোৰীৰ সম্বন্ধৰ পৰিৱৰ্তিত গুণৰ বাবে সমনীয়াৰ লগত তেওঁলোকৰ দলীয় ঐক্যবদ্ধতা বৃদ্ধি পায়। দলীয় নিৰাপত্তাৰ ভাৱ বৃদ্ধিয়ে তেওঁলোকৰ মনত আন্তঃব্যক্তি সম্বন্ধীয় নিৰাপত্তাৰ ভাৱ আনি দিয়ে। কিশোৰ-কিশোৰীৰ বহুতো ভাল বন্ধু থাকিলে তেওঁলোকে জীৱনৰ উত্থান-পতনত কিশোৰ-কিশোৰীক সহায় কৰিব আৰু কিশোৰ-কিশোৰীয়ে ইয়াৰদ্বাৰা সমনীয়াৰ সামাজিক দলত নিৰাপদ আৰু আত্মবিশ্বাসী অনুভৱ কৰিব পাৰিব। সমনীয়াৰ দলৰ সহায়ত কিশোৰ-কিশোৰীয়ে জীৱনৰ বিভিন্ন জটিল সমস্যা সমাধান কৰিব পাৰে।

সমনীয়াৰ দলে কিশোৰ-কিশোৰীৰ মানসিক আৰু আৱেগিক বিকাশত সহায় কৰে। কৈশোৰ কালৰ বিভিন্ন স্তৰবোৰত সমনীয়া দলৰ প্ৰভাৱবোৰ হ'ল—

**(১) আগতীয়া কৈশোৰকাল (Pre-adolescence stage) ঃ** এই স্তৰত সমলিংগ সমনীয়াৰ লগত কিশোৰ-কিশোৰীয়ে সম্বন্ধ ৰক্ষা কৰে আৰু তেওঁলোকৰ লগতেই অধিক সময় অতিবাহিত কৰে। সমনীয়াৰ দলত নিজক গ্ৰহণ কৰাৰ বাবে তেওঁলোকে আশা কৰে।

**(২) মধ্যৱৰ্ত্তী কৈশোৰকাল (Middle Adolescence) ঃ** এই সময়ছোৱাত উভয়লিংগৰ সমনীয়াৰ লগত কিশোৰ-কিশোৰীয়ে বন্ধুত্ব স্থাপন কৰে। পৰিয়ালৰ পৰা স্বাধীন হৈ নিজক চিনাক্তকৰণ, যৌন ভূমিকাৰ চিনাক্তকৰণ আদিত সমনীয়াই তেওঁলোকক সহায় কৰে। সামাজিক সহায় আৰু সহযোগিতাৰ এক উৎস হ'ল সমনীয়া আৰু কিশোৰ-কিশোৰীৰ চিন্তা আৰু আদৰ্শ গঢ়ি তোলাত সমনীয়াই ভূমিকা গ্ৰহণ কৰে।

**(৩) শেহতীয়া কৈশোৰ কাল (Late Adolescence) ঃ** এই সময়ছোৱাত বন্ধুত্ব অধিক গাঢ় আৰু আন্তৰিকতাপূৰ্ণ হয়। এই সময়ছোৱাত ল'ৰা-ছোৱালীৰ আত্মকেন্দ্ৰিক স্বভাৱৰ পৰিৱৰ্তন হয় আৰু নিজৰ আচৰণৰ প্ৰভাৱ আনৰ ওপৰত কেনেকৈ পৰে সেই সম্পৰ্কে সজাগ হয়।

কিশোৰ-কিশোৰীসকলৰ মনোভাৱ, মূল্যবোধ আৰু আচৰণৰ পৰিৱৰ্তনত সমনীয়াৰ দলে প্ৰভাৱ বিস্তাৰ কৰে। এই প্ৰভাৱ ইতিবাচক বা নেতিবাচক দুয়োপ্ৰকাৰৰ হ'ব পাৰে। কিশোৰ-কিশোৰীৰ ওপৰত সমনীয়া দলৰ ইতিবাচক আৰু নেতিবাচক প্ৰভাৱৰ কেতবোৰ দিশ তলত সংক্ষেপে বৰ্ণনা কৰা হ'ল—

**(I) ইতিবাচক প্ৰভাৱ (Positive Influences) :**

(১) সমনীয়া দলৰ সহায়ত কিশোৰ-কিশোৰীয়ে নতুন বন্ধুত্বৰ সম্বন্ধ বিকশাই তোলাৰ সুবিধা লাভ কৰে।

(২) সমনীয়া দলৰ সহায়ত কিশোৰ-কিশোৰীয়ে সামাজিক কৌশল শিকাৰ সুযোগ লাভ কৰে।

(৩) আত্ম আৰু অস্তিত্ব সম্বন্ধে ধাৰণা বিকশাই তোলাত কিশোৰ-কিশোৰীসকলক সমনীয়া দলে সহায় কৰে।

(৪) সমনীয়া দলৰ সহায়ত কিশোৰ-কিশোৰীয়ে যোগাযোগ কৌশলৰ বিকাশ সাধন কৰিব পাৰে।

(৫) স্বাস্থ্যসন্মত যৌন সম্বন্ধ বিকশাই তোলাৰ সুবিধা কিশোৰ-কিশোৰীসকলক সমনীয়া দলে প্ৰদান কৰে।

(৬) সমস্যা বিশ্লেষণ কৰা আৰু সমাধান কৰাৰ ক্ষেত্ৰত এক কোষ বা গোট হিচাপে সমনীয়া দলে কাৰ্য সম্পাদন কৰে।

(৭) সমনীয়া দলৰ সহায়ত কিশোৰ-কিশোৰীৰ আত্ম-মৰ্যদা বৃদ্ধি হয়।

(৮) সমনীয়া দলে সহায়কাৰী সম্বন্ধ কিশোৰ-কিশোৰীক প্ৰদান কৰে যাৰ সহায়ত তেওঁলোকে কাৰ্য সম্পাদন কৰে আৰু বিভিন্ন অভিজ্ঞতা আহৰণ কৰে।

**(II) নেতিবাচক প্ৰভাৱ (Negative Influences) :**

(১) সমনীয়া দলৰ সংগত বহুতো কিশোৰ-কিশোৰীয়ে বিভিন্ন ধৰণৰ অসামাজিক কাৰ্য সংঘটিত কৰে। যেনে—চুৰি কৰা, মিছা কোৱা আদি। আনকি কিছু সংখ্যক কিশোৰ-কিশোৰীয়ে সস্তীয়া আনন্দ উপভোগৰ বাবে নিজ ঘৰৰ পৰাও টকা বা অন্য সামগ্ৰী চুৰি কৰে।

(২) কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে যৌৱনাৱস্থা লাভ কৰে যদিও যৌনতা সম্বন্ধে তেওঁলোকৰ গঠনাত্মক কোনো জ্ঞান নাথাকে। সেইবাবে সমনীয়া দলৰ সংগত তেওঁলোকে যৌনগন্ধী কিতাপ পঢ়া, চিনেমা চোৱা, অশ্লীল বিষয় আলোচনা কৰা আদি কাৰ্য কৰি বিকৃত মানসিকতাৰ পৰিচয় দিয়ে।

(৩) সমনীয়া দলৰ লগত থাকিয়ে সস্তীয়া আৰু সাময়িক আনন্দ লাভৰ বাবে বয়সস্থ লোক, পংগু লোক, কুৰূপ লোক আদিক কিশোৰ-কিশোৰীয়ে ঠাট্টা কৰা দেখা যায়।

(৪) সমনীয়া দলৰ গ্ৰহণযোগ্যতাৰ বাবে কিশোৰী-কিশোৰীয়ে নিজ বিশ্বাস আৰু মূল্যবোধো পৰিত্যাগ কৰে।

(৫) সমনীয়া দলৰ প্ৰভাৱৰ বাবে স্কুল-কলেজৰ সলনি চিনেমা চাবলৈ যোৱা, ম'বাইল ফোনত অশ্লীল চিনেমা চোৱা, অশ্লীল বাৰ্তা প্ৰেৰণ কৰা কাৰ্য কিশোৰ-কিশোৰীয়ে সম্পাদন কৰা দেখিবলৈ পোৱা যায়।

(৬) আৱেগ প্ৰৱণ কিশোৰ-কিশোৰীসকলে কোনো কাৰ্য বা ঘটনাৰ আৱেগিক ব্যৰ্থতাক ঢাকি ৰাখিবৰ বাবে মদ, ভাং, চিগাৰেট, ডেনড্ৰাইট, ড্ৰাগছ আদি সেৱন কৰে। এই কাৰ্যতো সমনীয়া দলৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।

## সামাজিক পৰিপক্কতা (Social Maturity) ঃ

মনোবৈজ্ঞানিক দৃষ্টিকোণেৰে উপযুক্ত পদ্ধতিৰে পৰিৱেশৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰা দক্ষতাই হ'ল পৰিপক্কতা। এই প্ৰতিক্ৰিয়া প্ৰবৃত্তিগত নহয়, শিক্ষণগতহে। সমাজ জীৱনত ভালদৰে সমাযোজিত হবৰ বাবে পৰিপক্কতাৰ প্ৰয়োজন। সমাজ জীৱনৰ লগত জড়িত ব্যক্তিৰ পৰিপক্কতাৰ এই প্ৰকাৰবিধৰ নাম হ'ল সামাজিক পৰিপক্কতা।

সামাজিক পৰিপক্কতা হ'ল গ্ৰহণযোগ্য আৰু আকাংক্ষিত সামাজিক আচৰণ লাভৰ বাবে কৰা কাৰ্য বা প্ৰচেষ্টাৰ বিষয়ে জনা এক মনোবৈজ্ঞানিক প্ৰক্ৰিয়া। সামাজিক পৰিপক্কতা মানে হ'ল সামাজিক সম্বন্ধৰ ক্ষেত্ৰত পৰিপক্কতা লাভ কৰা। ইয়াৰ অৰ্থ হ'ল পৰিয়ালৰ সদস্যসকলৰ লগত, ওচৰ-চুবুৰীয়াৰ লগত, বন্ধুৰ লগত, খেলৰ সমনীয়াৰ লগত, সহপাঠিৰ লগত, শিক্ষক আৰু সমাজৰ অন্য সদস্যসকলৰ লগত ভাল সম্বন্ধ স্থাপন কৰা। বন্ধু বনোৱা আৰু বন্ধুত্ব ৰক্ষা কৰাৰ যোগেদিও ব্যক্তিৰ সামাজিক পৰিপক্কতাৰ পৰিচয় পোৱা যায়। সামাজিক পৰিপক্কতা লাভৰ বহুতো ক্ষেত্ৰ থাকে; যেনে—স্বাধীনভাৱে কাৰ্য সম্পাদন কৰা, ফলপ্ৰসু আন্তঃব্যক্তিসম্বন্ধীয় যোগাযোগ, আন্তক্ৰিয়া আৰু দায়িত্ব আদি।

সামাজিক পৰিপক্কতাই কিশোৰ-কিশোৰীক সচেতনতাৰ বিকাশ, সামাজিক ঐতিহ্যৰ গভীৰ আৰু স্পষ্টবোধ, সামাজিক পৰম্পৰা আৰু আদৰ্শ আদিৰ মূল্যবোধৰ বিষয়ে জনাত সহায় কৰে। নিজে বসবাস কৰা সামাজিক সংগঠনৰ গুৰুত্ব কিশোৰ-কিশোৰীয়ে উপলব্ধি কৰিব পৰা হয়। আকৌ সামাজিক পৰিপক্কতাৰ সহায়ত কিশোৰ-কিশোৰীয়ে আচৰণৰ আৰ্হি, অভ্যাস, মনোভাৱ, আচৰণ আৰু কৌশলৰ বিকাশ সাধন কৰে যাৰ সহায়ত কিশোৰ-কিশোৰীয়ে দলীয় জীৱন-যাপন আৰু দলৰ কল্যাণৰ বাবে বৰঙণি আগবঢ়াব পাৰে।

সামাজিক পৰিপক্কতা মানৱ জীৱন বিশেষকৈ স্কুলীয়া জীৱনৰ বাবে অতি প্ৰয়োজনীয় দিশ। সামাজিকভাৱে পৰিপক্ক ব্যক্তিয়ে তেওঁলোকৰ সমন্বয়ৰ বাবে বাস্তৱৰ মুখামুখি হ'ব পৰাকৈ আত্মবিশ্বাসী আৰু নিজৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ বাবেও দক্ষ।

সামাজিক পৰিপক্কতা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমাযোজনৰ সমস্যাৰ লগত ঘনিষ্ঠভাৱে জড়িত। সামাজিকভাৱে পৰিপক্ক ছাত্ৰ-ছাত্ৰীৰ সামাজিক দক্ষতা বিকশিত প্ৰকৃতিৰ আৰু এই দক্ষতা তেওঁলোকে সম্পূৰ্ণভাৱে প্ৰয়োগ কৰে। সামাজিকভাৱে পৰিপক্ক ব্যক্তিয়ে অধিক দক্ষতাৰ সামাজিক পৰিস্থিতিৰ লগত সহৱস্থান কৰিব পাৰে।

সামাজিক পৰিপক্কতাৰ কেতবোৰ সংজ্ঞা তলত দিয়া ধৰণে বৰ্ণনা কৰিব পাৰি।

(১) Advanced Learners Dictionary (2000) ৰ মতে, "সামাজিক পৰিপক্কতা হ'ল সামাজিক আৰু বৃত্তীয় দক্ষতা বৃদ্ধিৰ মান" (Social maturity refers to degree of growth in social and vocational abilities)।

(২) লোহিথাক্ষন (Lohithakshan) ৰ Dictionary of Education (2007) ৰ মতে, "সামাজিক পৰিপক্কতা

মানে সামাজিক পৰিস্থিতিত পিতৃ-মাতৃ আৰু প্ৰাপ্তবয়স্কৰ নিয়ন্ত্ৰণৰ পৰা স্বাধীন সামাজিক বিকাশৰ স্তৰ" (Social maturity means social development level characterised by independence from parental and adult control in social situations)।

(৩) ৰাজ, এম. (Raj, M. 1996) ৰ মতে, "সামাজিক পৰিপক্কতা হ'ল কোনো এক বয়স দলৰ বিশেষ মানদণ্ড আহৰণৰ বাবে ব্যক্তিৰ সামাজিক কৌশল আৰু সজাগতা। আন্তঃব্যক্তি সম্বন্ধ, উপযোগী আচৰণ, সামাজিক সমস্যা সমাধান আৰু বিচাৰকৰণ আদিৰ পৰিপ্ৰেক্ষিতত ব্যক্তি এজনৰ বিকশিত দক্ষতাৰ ই হ'ল এক পৰিমাণস্বৰূপ" (Social maturity is a level of social skills and awareness that an individual has achieved relative to particular norms related to an age group. It is a measure of development competence of an individual with regard to interpersonal relations, behaviour appropriateness, social problem solving and judgement)।

গ্ৰীণবাৰ্গাৰ (Greenberger, 1973) ৰ মতে সামাজিক পৰিপক্কতাৰ পৰিধি তিনিটা আৰু ইয়াৰ উপাদানবোৰ তলত উল্লেখ কৰা ধৰণৰ—

**(ক) ব্যক্তিগত পৰিমিতত্তা (Personal Adequacy) ঃ**

(i) কৰ্ম দিকবিন্যাস (Work orientation) কৰ্ম দক্ষতা আৰু কৰ্মৰ প্ৰতি উপযুক্ত মনোভাৱৰ জ্ঞানৰ লগত সম্বন্ধিত।

(ii) আত্ম নিৰ্দেশনা (Self direction) ই কোনো এজন ব্যক্তিৰ স্বাধীনভাৱে কৰ্ম কৰাৰ দক্ষতা আৰু কাৰ্যৰ নিয়ন্ত্ৰণক বুজায়।

(iii) চাপ বা হেঁচা ল'ব পৰা দক্ষতা (Ability to take stress) ই জটিল আৰু প্ৰত্যাহ্বানমূলক সময়ত গ্ৰহণ কৰা দক্ষতাক বুজায়।

**(খ) আন্তঃব্যক্তি সম্বন্ধীয় পৰিমিতত্তা (Interpersonal Adequacy) ঃ**

(iv) যোগাযোগে (Communication) বুজা, লিখা, ভাষিক বা ভাষাবিহীনভাৱে সম্পাদন কৰা কথা বতৰাক বুজায়।

(v) বিশ্বাসৰ পোহৰে (Enlightened Trust) প্ৰয়োজনীয় সময়ত আনৰ ওপৰত থকা বিশ্বাসক বুজায়।

(vi) সহযোগিতা (Cooperation) ই কোনো কাম সম্পাদন কৰাৰ বেলিকা আন ব্যক্তিক কৰা সহায়ক বুজায়।

**(গ) সামাজিক পৰিমিতত্তা (Social Adequacy) ঃ**

(vii) সামাজিক প্ৰতিশ্ৰুতি (Social commitment) আন ব্যক্তিৰ লগত একলগ হৈ কোনো কাৰ্য বা লক্ষ্যৰ সংশোধন কৰা কাৰ্যৰ লগত সম্বন্ধিত।

(viii) সামাজিক সহ্যশক্তি (Social tolerance) য়ে নিজতকৈ পৃথক ব্যক্তিৰ লগত ব্যক্তিগত আৰু দলীয়ভাৱে কৰা আন্তঃক্ৰিয়াক বুজায়।

(ix) পৰিৱৰ্তনৰ বাবে মুকলি (Openness to change) সামাজিক ব্যৱস্থাৰ পৰিৱৰ্তনক গ্ৰহণ কৰাৰ ইচ্ছাশক্তিৰ লগত সম্বন্ধিত।

গ্ৰীণবাৰ্গাৰ আৰু তেওঁৰ সহযোগীসকলে সামাজিক পৰিপক্কতাৰ পৰিধিৰ উপৰিও ইয়াৰ কেতবোৰ বিশেষ বৈশিষ্ট্যৰ বিষয়েও মত আগবঢ়াইছিল। তেওঁলোকে আগবঢ়োৱা সামাজিক পৰিপক্কতাৰ বিশেষ বৈশিষ্ট্যবোৰ তলৰ তালিকাত আগবঢ়োৱা হ'ল—

| বৈশিষ্ট্যবোৰ | সম্বন্ধিত শব্দ | উৎস |
|---|---|---|
| ১ আত্ম বিশ্বাস | ● নিজক গ্ৰহণ কৰা | এৰিকছন |
| | ● আৱেগিক নিৰাপত্তা | আলৰ্পোট |
| | ● আত্মকেন্দ্ৰিকতা আৰু হীনমন্যতাৰ পৰা স্বাধীনতা। | চ'ল |
| ২ আত্ম নিৰ্দেশনা | ● স্বাধীনতা | চ'ল |
| | ● স্ব-শাসন আৰু উদ্যম | এৰিকছন |
| | ● আত্ম নিৰ্ভৰশীলতা | মেচ্‌লো |
| ৩ সামাজিক অনুভূতি | ● বিশ্বাস | এৰিকছন |
| | ● গণতান্ত্ৰিক চৰিত্ৰৰ গাঁঠনি | মেচ্‌লো |
| | ● আনৰ লগত উষ্ম সম্বন্ধ | আলপোৰ্ট |
| | ● সহানুভূতি | মেচ্‌লো |
| | ● আন্তৰিকতা | আলপোৰ্ট |
| ৪ উৎপাদনশীলতা | ● কৰ্মৰ দক্ষতা | ফ্ৰয়দ |
| | ● উদ্যোগ-কৰ্মৰ দিকবিন্যাস | এৰিকছন |
| | ● দক্ষতা | হ্‌ৱাইট |
| | ● বস্তুনিষ্ঠ সমস্যা সমাধানৰ দক্ষতা | আলপোৰ্ট |
| | ● আগ্ৰহৰ গাঢ়তা | হ্‌ৱাইট |
| | ● উৎপাদক | এৰিকছন |
| ৫ সামাজিক আৰু মানৱীয় মূল্যবোধ | ● নৈতিক নিশ্চয়তা | মেচ্‌লো |
| | ● সম্পূৰ্ণতা | এৰিকছন |
| | ● স্বনিৰ্ভৰশীল সচেতনতা | চ'ল |
| | ● মানৱীয় মূল্যবোধ | হ্‌ৱাইট |

## সামাজিকভাৱে পৰিপক্ক ব্যক্তিৰ বৈশিষ্ট্য (Characteristics of Socially Mature Individual) ঃ

সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজনৰ কেতবোৰ বিশেষ বৈশিষ্ট্য তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

(১) সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজনে সমাজৰ সকলো মানুহৰ লগত আন্তঃক্ৰিয়া সম্পাদন কৰিব পাৰে। মানুহবোৰৰ লগত ভাল সম্বন্ধ ৰক্ষা কৰি চলিবৰ বাবে পৰিপক্ক ব্যক্তিসকল দক্ষতাপূৰ্ণ হয়।

(২) দল, সমাজ বা ৰাষ্ট্ৰৰ বৃহত্তৰ স্বাৰ্থৰ বাবে সামাজিকভাৱে পৰিপক্ক ব্যক্তিয়ে নিজৰ আগ্ৰহ ত্যাগ কৰিবলৈ সদায় প্ৰস্তুত হৈ থাকে। সামাজিক দায়বদ্ধতাবোৰৰ প্ৰতি তেওঁলোক সদায় সজাগ।

(৩) সহনশীলতা, সৰলতা, ভ্ৰাতৃত্ববোধ, সৌজন্যতা, দয়া আদি বিভিন্ন সামাজিক গুণ সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজনৰ থাকে।

(৪) আনৰ লগত সম্বন্ধ স্থাপন কৰাৰ বাবে আৰু সম্বন্ধ ৰক্ষাৰ বাবে সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজন সহযোগশীল আৰু বিশ্বাসী।

(৫) সামাজিক দুৰাৱস্থা, সমস্যা বা পৰিস্থিতিত সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজন দক্ষতাৰে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু ফলপ্ৰসূভাৱে কাৰ্য সম্পাদন কৰিব লাগে।

(৬) সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজন সমনীয়া দলৰ সক্ৰিয় সদস্য হয় আৰু দলৰ নীতি-নিয়মবোৰ অনুসৰণ কৰা ব্যক্তি হয়। তেওঁলোকে দলৰ আনুগত্যতাত বিশ্বাস কৰে আৰু দলৰ মূল্যবোধ, আচৰণ আৰু মনোভাৱ অনুসৰণ কৰাৰ প্ৰয়াস কৰে।

(৭) সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজনৰ গ্ৰহণযোগ্যতা আৰু সমাযোজনৰ দক্ষতা বেছি। সমাজৰ ভিন্ন প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত যিকোনো পৰিস্থিতিতে তেওঁলোকে ফলপ্ৰসূভাৱে সমাযোজন স্থাপন কৰিব পাৰে।

(৮) সামাজিকভাৱে পৰিপক্ক ব্যক্তি এজনে নিজ বিচাৰকৰণ ক্ষমতা প্ৰয়োগ কৰি সকলো কথা বা ঘটনা বিশ্লেষণ কৰে।

(৯) সামাজিকভাৱে পৰিপক্ক ব্যক্তিসকলে যিকোনো সামাজিক ক্ৰিয়াকলাপত অংশ গ্ৰহণ কৰি ভাল পায়।

(১০) সামাজিকভাৱে পৰিপক্ক ব্যক্তিয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰাৰ বাবে আগ্ৰহী হয়। এইসকল লোক নেতা হিচাপে জনপ্ৰিয় হোৱা দেখা যায়।

কিশোৰী-কিশোৰীসকলৰ সামাজিক পৰিপক্কতা বিকশাই তোলাৰ বাবে শিক্ষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। ইয়াৰ বাবে শিক্ষকসকলে কিশোৰ-কিশোৰীসকলৰ বিষয়ে বিভিন্ন প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিব লাগে। সামাজিক কাৰ্যসূচীত কিশোৰ-কিশোৰীয়ে অংশ গ্ৰহণ কৰা বা নকৰাৰ কাৰণ, কোনো দলৰ অন্তৰ্ভুক্ত হোৱা বা নোহোৱাৰ কাৰণ আদি এই তথ্যবোৰৰ সহায়ত জানিব পাৰি। শিক্ষকসকলে কিশোৰ-কিশোৰীৰ সামাজিক অপসমাযোজনৰ কাৰণবোৰ বিশ্লেষণ কৰি সমাধান কৰাৰ প্ৰয়াস কৰিব লাগে। এই ক্ষেত্ৰত শিক্ষকসকলে কিশোৰ-কিশোৰীৰ অভিভাৱক আৰু সমাজৰ লোকসকলৰ সহায় লব লাগে। কিশোৰ-কিশোৰীৰ সামাজিক পৰিপক্কতা বৃদ্ধিৰ বাবে শিক্ষকসকলে শ্ৰেণীকোঠাত ৰসিকতা, বন্ধুত্বভাৱ, সামাজিক পৰিৱেশ আদিৰ সৃষ্টি কৰিব লাগে। ইয়াৰ উপৰিও কিশোৰ-কিশোৰীৰ সামাজিক পৰিপক্কতা বৃদ্ধিৰ ক্ষেত্ৰত দলীয় খেল-ধেমালি, স্কাউট আৰু গাইড, তৰ্ক আৰু অভিনয় আদিয়েও ভূমিকা গ্ৰহণ কৰে।

## সামাজিক সমাযোজন (Social Adjustment) ঃ

সমাযোজন হ'ল প্ৰতিদিনে ব্যৱহাৰ হৈ থকা এক শব্দ। মনোবিজ্ঞান, সমাজবিজ্ঞান আৰু শিক্ষাৰ ক্ষেত্ৰত এই শব্দ অতি জনপ্ৰিয়। ব্যক্তিয়ে তেওঁৰ পৰিৱেশৰ লগত দৈহিক আৰু মানসিকভাৱে নিজকে খাপ খুৱাই চলিব লাগে। এই খাপ-খুৱাই চলা প্ৰচেষ্টাই হ'ল সমাযোজন। সমাযোজনৰ এক প্ৰধান ভাগ হ'ল সামাজিক সমাযোজন। ব্যক্তিৰ সামাজিক গুণাৱলীৰ বিকাশ সাধনৰ দ্বাৰাহে সামাজিক সমাযোজন সম্ভৱ হয়। সামাজিক সমাযোজনৰ বাবে ব্যক্তিৰ দায়বদ্ধশীল মনোভাৱ আৰু সামাজিক নীতি পৰম্পৰাত নিজকে নিয়োজিত কৰিব পৰা গুণৰ বিকাশ সাধন কৰে। কিয়নো সামাজিক সমাযোজনে ব্যক্তিক সমাজৰ বাবে উপযুক্ত কৰি গঢ়ি তোলে। সামাজিক সমাযোজন হৈছে এক ক্ৰিয়া প্ৰচেষ্টা, যাৰদ্বাৰা ব্যক্তিয়ে পৰিৱেশৰ লগত সুস্থভাৱে খাপ-খুৱাই লবলৈ নিজ ক্ৰিয়া আচৰণৰ আৱশ্যকীয় পৰিৱৰ্তন সাধন কৰে।

সামাজিক সমাযোজনৰ ফলশ্ৰুতিত কিশোৰ-কিশোৰীসকলে ঘৰত পৰিয়ালৰ সদস্যসকলৰ লগত, বন্ধুৰ লগত, ওচৰ-চুবুৰীয়াৰ লগত আৰু সমাজৰ মানুহবোৰৰ লগত ভালদৰে সম্বন্ধ স্থাপন কৰিব পাৰে। এই সমাযোজনে তেওঁলোকৰ মনোবৈজ্ঞানিক নিৰাপত্তাৰ প্ৰয়োজন পূৰণ কৰিব পাৰে আৰু সমাজৰো বিকাশ সাধন কৰিব পাৰে।

## সামাজিক সমাযোজনক প্ৰভাৱিত কৰা কাৰকবোৰ (Factors affecting Social Adjustment)

কিশোৰ-কিশোৰীসকলে যিকোনো প্ৰকাৰৰ সামাজিক পৰিস্থিতিত সমাযোজন কৰিব লাগে। সামাজিক সমাযোজন অবিহনে কিশোৰ-কিশোৰীয়ে নিজৰ পূৰ্ণাংগ বিকাশ সাধন কৰিব নোৱাৰে। সমাজ জীৱনৰ মানদণ্ড, মূল্যবোধ আৰু প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ সামাজিক সমাযোজন এক বিচাৰ্য বিষয়। কিশোৰ-কিশোৰীৰৰ সামাজিক সমাযোজনত বহুতো কাৰকে প্ৰভাৱ বিস্তাৰ কৰে।

এই কাৰকবোৰক দুটা ভাগত ভাগ কৰিব পাৰি। যেনে—

(ক) ব্যক্তিগত কাৰক (Personal factors) আৰু

(খ) পৰিৱেশীয় কাৰক (Environmental Factors)

তলত এই কাৰকবোৰ আলোচনা কৰা হ'ল—

### (ক) ব্যক্তিগত কাৰক (Personal Factors) ঃ

**(১) কিশোৰ-কিশোৰীৰ দেহ আৰু স্বাস্থ্য (Physique and Health of the Adolescents)** : কিশোৰ-কিশোৰীৰ দেহ আৰু স্বাস্থ্যই তেওঁলোকৰ সামাজিক বিকাশত প্ৰভাৱ পেলায়। সু-শৰীৰৰ ব্যক্তি এজন স্বাভাৱিকতেই স্বাস্থ্যৱান হয়। স্বাস্থ্যৱান কিশোৰ-কিশোৰীয়ে আত্ম-বিশ্বাস আৰু আত্মসন্মানৰ ভাৱ বিকশাই তুলিব পাৰে। পৰিৱৰ্তিত সামাজিক পৰিস্থিতিত তৎক্ষণাতে নিজকে সমাযোজিত কৰাৰ দক্ষতা তেওঁলোকৰ থাকে। এইসকল কিশোৰ-কিশোৰী সহযোগী প্ৰকৃতিৰ আৰু অন্য ব্যক্তিৰ লগত অতি সহজে আন্তঃক্ৰিয়া স্থাপন কৰিব পাৰে। ইয়াৰ বিপৰীতে স্বাস্থ্যজনিত সমস্যা থকা কিশোৰ-কিশোৰীয়ে সামাজিক সমাযোজন স্থাপন কৰাত জটিলতাৰ সন্মুখীন হয়।

**(২) বুদ্ধি (Intelligence) :** সাধাৰণভাৱে স্বাস্থ্যৱান ব্যক্তি এজন উপযুক্ত সময়ত উপযুক্ত সিদ্ধান্ত আৰু উপযুক্ত কামৰ বাবে উপযুক্ত পৰিকল্পনা কৰিব পৰাকৈ মানসিকভাৱে সক্ষম। এই মানসিক সক্ষমতাই হ'ল বুদ্ধি। এই মানসিক গুণে কিশোৰ-কিশোৰীক সমাজত এক ফলপ্ৰসূ ভূমিকা গ্ৰহণ কৰাত আৰু সামাজিক বিকাশ সাধন কৰাত সহায় কৰে।

**(৩) উপযুক্ত আৱেগিক বিকাশ (Proper Emotional Development) :** উপযুক্ত আৱেগিক বিকাশে কিশোৰ-কিশোৰীৰ উপযুক্ত সামাজিক বিকাশো গঢ় দি তোলে। যদি কিশোৰ-কিশোৰীয়ে নিজৰ আৱেগক উপযুক্তভাৱে নিয়ন্ত্ৰিত কৰিব পাৰে তেন্তে তেওঁলোকে আনৰ লগত

ভালদৰে সমাযোজন স্থাপন কৰিব পাৰিব আৰু ই হ'ল সামাজিক সমাযোজনৰ এক গুৰুত্বপূৰ্ণ দিশ। শুদ্ধভাৱে উপযুক্ত স্থানত উপযুক্ত সময়ত আৱেগ প্ৰকাশ কৰিব পৰা কিশোৰ-কিশোৰীসকল সামাজিকভাৱে সু সমাযোজিত ব্যক্তি আৰু ভাল সামাজিক ব্যক্তিত্বৰ অধিকাৰী। আৱেগিকভাৱে অপসমাযোজিত ব্যক্তিৰ সামাজিক গুণো নিম্নমানৰ হয়।

**(খ) পৰিৱেশীয় কাৰক (Environmental Factors) ঃ**

**(১) পৰিয়াল (Family) :** পৰিয়াল হ'ল সকলো ধৰণৰ সামাজিক কৰ্মৰে প্ৰধানকেন্দ্ৰ। ব্যক্তিৰ সামাজিকীকৰণত ই প্ৰধান ভূমিকা পালন কৰে। নাগৰিকত্বৰ প্ৰথম পাঠ ব্যক্তিয়ে ঘৰতে শিকে। সমাজত কেনেদৰে নিজক সমাযোজিত কৰিব লাগে তাৰ জ্ঞান কিশোৰ-কিশোৰীক পৰিয়ালৰ লোকসকলে প্ৰদান কৰে। পৰিয়ালৰ বিভিন্ন কাৰক যেনে—পৰিয়ালৰ আকাৰ, পৰিয়ালৰ সদস্যসকলৰ সম্বন্ধ, ল'ৰা-ছোৱালীৰ প্ৰতি মাক-দেউতাক আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলৰ মনোভাৱ, পৰিয়ালৰ আৰ্থ-সামাজিক অৱস্থা আৰু সমাজত পৰিয়ালৰ স্থান আদিয়েও কিশোৰ-কিশোৰীৰ সামাজিক বিকাশ প্ৰভাৱিত কৰে। মাক-দেউতাক আৰু পৰিয়ালৰ অন্য জ্যেষ্ঠ ব্যক্তিৰ প্ৰভাৱে কিশোৰ-কিশোৰীৰ সামাজিক বিকাশ উপযুক্তভাৱে নিৰ্ধাৰণ কৰাত সহায় কৰে।

**(২) বিদ্যালয় (School) :** কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত প্ৰভাৱ পেলোৱা আন এক পৰিৱেশীয় কাৰক হ'ল বিদ্যালয়। বিদ্যালয়ৰ অনুশাসন আৰু আদেশে কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে। যেনে—

(i) কিশোৰ-কিশোৰী আৰু শিক্ষকসকলৰ মাজত এক নতুন ধৰণৰ মানৱীয় সম্বন্ধ বিকশিত হয়।

(ii) শ্ৰেণীকোঠাত সমনীয়াৰ লগত তেওঁলোকে আন্তৰিক ব্যক্তিগত সম্বন্ধ বিকশাই তোলে যিয়ে কিশোৰ-কিশোৰীৰ সামাজিক সম্বন্ধৰ উপযুক্ত বিকাশ সাধন কৰে।

(iii) বিদ্যালয়ৰ বিভিন্ন সামাজিক কাৰ্যসূচীত কিশোৰ-কিশোৰীয়ে অংশ গ্ৰহণ কৰে যাৰ যোগেদি তেওঁলোকে বিভিন্ন ধৰণৰ সামাজিক গুণ, পৰম্পৰা আৰু মূল্যবোধ আদি বিকশাই তোলে।

(iv) বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীৰ যোগেদি গণতান্ত্ৰিক জীৱন ধাৰাৰ জ্ঞান কিশোৰ-কিশোৰীক প্ৰদান কৰিব পৰা যায়।

**(৩) সম্প্ৰদায় আৰু ওচৰ-চুবুৰীয়া (Community and Neighbourhood) :** ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ লগে লগে ওচৰ-চুবুৰীয়া আৰু সম্প্ৰদায়ৰ লগত সম্বন্ধ স্থাপন কৰে। এই দুয়োটা মাধ্যমেই কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত প্ৰভাৱ পেলায়। ওচৰ-চুবুৰীয়া আৰু সম্প্ৰদায়ৰ লোকসকলৰ আচৰণ সচেতনভাৱে বা অচেতনভাৱে কিশোৰ-কিশোৰীয়ে অনুকৰণ কৰে। নিজৰ

সম্প্ৰদায়ৰ সাংস্কৃতিক গাঁঠনি, সামাজিক পৰম্পৰা আদিবোৰ কিশোৰ-কিশোৰীয়ে গ্ৰহণ কৰে আৰু এইবোৰে তেওঁলোকৰ সামাজিক বিকাশ সাধনত অৰিহণা যোগায়।

(৪) **অন্যান্য সামাজিক সংগঠন (Other Social Institutions) :** বিভিন্ন ধৰ্মীয় প্ৰতিষ্ঠান যেনে—মন্দিৰ, মচজিদ, গীৰ্জা আদিবোৰৰ যোগেদিও কিশোৰ-কিশোৰীয়ে সামাজিক বিকাশ সাধন কৰিব পাৰে। ইয়াৰ উপৰিও সমাজত বিভিন্ন ধৰণৰ সামাজিক ক্লাব আছে যিবোৰৰ যোগেদিও তেওঁলোকৰ সামাজিক বিকাশ সাধন হয়। সামাজিক ক্লাববোৰৰ যোগেদি পৰম্পৰা, মূল্যবোধ, আদৰ্শ আদি সামাজিক গুণবোৰ কিশোৰ-কিশোৰীসকলে আয়ত্ব কৰিব পাৰে।

ওপৰত উল্লেখ কৰা ব্যক্তিগত আৰু পৰিৱেশীয় কাৰকবোৰৰ বাহিৰেও আন বহুতো মাধ্যম আছে যিয়ে কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত অৰিহণা যোগায়। এই মাধ্যমবোৰ হ'ল—বাতৰিকাকত, আলোচনী, চিনেমা, দূৰদৰ্শন, ফেচবুক আৰু অন্যান্য চ'ছিয়েল নেটৱৰ্কিং চাইটবোৰ। এই মাধ্যমবোৰে কিশোৰ-কিশোৰীক সামাজিক গাঁঠনি আৰু সমাজৰ পৰিৱৰ্তনৰ বিভিন্ন নতুন তথ্য প্ৰতিদিনে প্ৰদান কৰে। এই মাধ্যমবোৰ কিশোৰ-কিশোৰীক ভৱিষ্যতৰ নিৰ্দেশনাও প্ৰদান কৰে। বিনোদনমূলক মাধ্যমবোৰে সমাজৰ ব্যক্তিসকলৰ আচৰণ গঢ় দি তুলিব পাৰে। অৰ্থাৎ বিভিন্ন ধৰণৰ গণমাধ্যমৰ যোগেদি কিশোৰ-কিশোৰীৰ সামাজিক বিকাশ সাধন কৰিব পাৰি।

## কিশোৰ-কিশোৰীৰ সামাজিক বিকাশৰ শৈক্ষিক তাৎপৰ্য (Educational Implications of Social Development of Adolesecents) :

কিশোৰ-কিশোৰীসকলৰ সামাজিক বিকাশ শুদ্ধ পথেৰে অগ্ৰসৰ হোৱাৰ বাবে তলত দিয়া কাৰ্যব্যৱস্থাবোৰ গ্ৰহণ কৰা উচিত।

১। বিদ্যালয়ত বহুতো অনানুষ্ঠানিক সামাজিক অনুষ্ঠান অনুষ্ঠিত কৰিব লাগে। এই অনুষ্ঠানবোৰৰ যোগেদি তেওঁলোক এজন আনজনৰ ওচৰ চাপিব আৰু এজনে আনজনৰ আগ্ৰহ আৰু আকাংক্ষাবোৰ জানিব পাৰিব। অনুষ্ঠানবোৰে সকলো প্ৰকাৰৰ কিশোৰ-কিশোৰীৰ প্ৰয়োজন পূৰণ কৰিব পাৰে।

২। শিক্ষামূলক ভ্ৰমণ আৰু ক্ষেত্ৰ অধ্যয়নৰ আয়োজন কৰিব লাগে। এইবোৰে দলৰ সদস্যসকলৰ মাজত অনানুষ্ঠানিক বাৰ্তালাপ আৰু ওচৰ সম্বন্ধ স্থাপন কৰাত সহায় কৰে। সামাজিক আন্তঃক্ৰিয়াৰ বাবে এই কাৰ্য অতি প্ৰয়োজনীয়।

৩। দলীয় খেল-ধেমালী, তৰ্ক আৰু আলোচনাচক্ৰ আদিৰ আয়োজন কৰিব লাগে। এই কাৰ্যসূচীবোৰত অংশ গ্ৰহণৰ যোগেদি কিশোৰ-কিশোৰীয়ে সামাজিক কাৰ্যসূচীত অংশ গ্ৰহণৰ প্ৰশিক্ষণ লাভ কৰিব পাৰিব।

৪। শিক্ষকসকলে প্ৰতিজন কিশোৰ-কিশোৰীৰ আৰ্থ-সামাজিক অৱস্থা আৰু আগ্ৰহবোৰ জানিবৰ চেষ্টা কৰিব লাগে আৰু সেই অনুসৰি বিভিন্ন কাৰ্যসূচীৰ ব্যৱস্থা কৰিব লাগে।

৫। সামাজিক ক্ষেত্ৰত প্ৰতিজন কিশোৰ-কিশোৰীয়ে ভৱিষ্যত জীৱনত কোনো বৃত্তিত প্ৰৱেশ কৰিব লাগিব। কোনটো বৃত্তিত ভৱিষ্যতে প্ৰৱেশ কৰিব সেই সম্বন্ধে কিশোৰ-কিশোৰীৰ কোনো জ্ঞান নাথাকে। সেইবাবে সমাজত উপলব্ধ বিভিন্ন বৃত্তিৰ জ্ঞান বিদ্যালয় কৰ্তৃপক্ষই কিশোৰ-কিশোৰীক প্ৰদান কৰিব লাগে। ইয়াৰ উপৰিও সম্ভাৱনীয়তাপূৰ্ণ নতুন বৃত্তিৰ তথ্যও প্ৰদান কৰিব লাগে।

৬। কিশোৰ-কিশোৰীসকলৰ প্ৰাপ্তবয়স্ক ব্যক্তিৰ আচৰণৰ মানদণ্ডৰ বিষয়ে জ্ঞাত কৰিব লাগে কিয়নো ভৱিষ্যতে তেওঁলোক প্ৰাপ্তবয়স্ক কালত প্ৰৱেশ কৰিব। সমাজ জীৱনত ভালদৰে সমাযোজিত হ'বৰ বাবে এই জ্ঞানৰ প্ৰয়োজন।

৭। কিশোৰ-কিশোৰীসকলৰ দায়িত্ববোধৰ জ্ঞান বিকশাই তোলাৰ বাবে বিদ্যালয়ত স্ব-চৰকাৰ বিষয়ৰ আৰম্ভণি কৰিব লাগে। ইয়াৰ উপৰিও দায়িত্ব জ্ঞান প্ৰদানৰ বাবে এন. এচ. এচ, এন. চি. চি., স্কাউট আৰু গাইড কাৰ্যসূচী আদিৰ ব্যৱস্থা বিদ্যালয়ত কৰিব লাগে।

৮। উপযুক্ত সামাজিক সমাযোজনৰ বাবে বিদ্যালয় আৰু গৃহৰ পৰিৱেশ কিশোৰ-কিশোৰীসকলৰ বাবে সুস্থ কৰি তুলিব লাগে।

৯। সামাজিক দৃষ্টিভংগীৰ বিকাশৰ বাবে কিশোৰ-কিশোৰীক শিক্ষা প্ৰদান কৰাৰ বেলিকা প্ৰকল্প পদ্ধতি, খেলা পদ্ধতি, হিউৰিষ্টিক পদ্ধতি আদিৰে শিক্ষা প্ৰদান কৰিব লাগে।

১০। কিশোৰ-কিশোৰীসকলক নেতৃত্বৰ জ্ঞান প্ৰদান কৰিব লাগে। এই জ্ঞানে তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক গুণবোৰ বিকশাই তুলিব।

## সামৰণি (Conclusion)

কিশোৰ-কিশোৰীৰ সামাজিক বিকাশৰ বিষয়ে অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয়। কিয়নো তেওঁলোকৰ সামাজিক বিকাশত পৰিয়ালৰ লগতে সমনীয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামাজিক বিকাশৰ জৰিয়তে তেওঁলোকৰ সামাজিক দক্ষতা বৃদ্ধি পায় আৰু লগতে তেওঁলোকে নিজৰ আচৰণ সংশোধন কৰি ল'ব পাৰে। সামাজিকভাৱে পৰিপক্ক কিশোৰ-কিশোৰীয়ে সমাজৰ যিকোনো পৰিৱেশ আৰু পৰিস্থিতিতে সমাযোজন স্থাপন কৰিব পাৰে। এই ক্ষেত্ৰত তেওঁলোক কিবা সমস্যাৰ সন্মুখীন হ'লে শিক্ষকসকলে সহায়-সহযোগিতা আগবঢ়াব লাগে।

## প্ৰশ্নাৱলী

(১) **অতি চমু উত্তৰ দিয়া (Give very short answer)**

(i) সামাজিক বিকাশ মানে কি?
What is social development.

(ii) সমনীয়া দল মানে কি?
What is peer group?

(iii) বিকাশৰ কোনটো স্তৰত সমনীয়া দলৰ প্ৰাধান্য বেছি?
In which stage of development, peer group is very important?

(iv) 'সামাজিক বিকাশ মানে হ'ল সামাজিক সম্বন্ধৰ ক্ষেত্ৰত পৰিপক্কতা লাভ'—কথাষাৰ কোনে কৈছিল?
'Social development means the attaining maturity in social relationships'– who said the statement?

(v) সামাজিক পৰিপক্কতা মানে কি?
What is social maturity?

(vi) সামাজিক সমাযোজন মানে কি?
What is social adjustment?

(২) **শুদ্ধনে অশুদ্ধ লিখা (Write true on false)**

(i) সামাজিক বিকাশ মানে হ'ল সৰ্বাংগীন বিকাশ।
Social development means overall development.

(ii) কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত পৰিয়ালৰ কোনো ভূমিকা নাই।
There is no role of family in social development of adolescents.

(iii) কৈশোৰ কালৰ ভাগ তিনিটা।
There are three types of adolescence stage.

(iv) মনোবিজ্ঞানী পিয়াজেৰ মতে ব্যক্তিৰ সামাজিক জীৱনৰ ভাগ হ'ল দুটা।
According to psychologist Piaget, there are two types of social life of an individual.

(v) কিশোৰ-কিশোৰীৰ সামাজিক জীৱন আত্ম-কেন্দ্ৰিক প্ৰকৃতিৰ।
Social life of adolescents are self-centred.

(vi) সামাজিক আৰু মানৱীয় মূল্যবোধ সামাজিক পৰিপক্কতাৰ এক বিশেষ বৈশিষ্ট্য।
Social and human value is a specific characteristics of social maturity.

(৩) **খালী ঠাই পূৰ কৰা (Fill in the blanks)**

(i) কিশোৰ-কিশোৰীসকল তেওঁলোকৰ —— ৰ বাবে অধিক সজাগ।
Adolescents are more aware for their ——.

(ii) সামাজিক পৰিপক্কতা মানে হ'ল —— ক্ষেত্ৰত পৰিপক্কতা লাভ কৰা।
Social maturity means attaining maturity in ——.

(iii) —— কালত দলীয় আনুগত্য এক অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।
Group loyality is very important characteristic in —— stage.

(iv) সামাজিক পৰিপক্কতা হ'ল সামাজিক আৰু —— বৃদ্ধিৰ মান।
Social maturity refers to degree of growth is social and ——.

(v) —— কৈশোৰকালত সমলিংগ ব্যক্তিৰ লগত কিশোৰ-কিশোৰীয়ে সম্বন্ধ ৰক্ষা কৰি চলে।
In —— adolescence, adolescents maintain relationship with the people of same sex.

(vi) কিশোৰ-কিশোৰীৰ —— আচৰণৰ প্ৰধান অস্ত্ৰ হ'ল সমনীয়াৰ দল।
Peer group is an important showrd of —— of adolescence behaviour.

(৪) **চমু উত্তৰ লিখা (Write short answers)**

(i) সামাজিক পৰিপক্কতাৰ সংজ্ঞা দিয়া।
Define social maturity.

(ii) সামাজিক পৰিপক্কতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।
Mention two characteristics of social maturity.

(iii) সামাজিক সচেতনতা মানে কি?
What is social consciousness?

(iv) সামাজিক সমাযোজনক প্ৰভাৱিত কৰা দুটা ব্যক্তিগত কাৰক উল্লেখ কৰা।
Mention two personal factors which affects the social adjustment.

(v) কিশোৰ-কিশোৰীৰ সামাজিক সমাযোজনক প্ৰভাৱিত কৰা দুটা পৰিৱেশীয় কাৰক উল্লেখ কৰা।
Mention two environmental factors which affects the social adjustment of adolescents.

(৫) **চমুটোকা লিখা (Write short notes)**

(i) কৈশোৰ কালৰ সামাজিক বিকাশ
Social development during adolescence.

(ii) সামাজিক বিকাশৰ স্তৰবোৰ
Stages of social development

(iii) কিশোৰ-কিশোৰীৰ সামাজিক সম্বন্ধৰ ক্ষেত্ৰত পৰিয়ালৰ প্ৰভাৱ
Influence of family in social relationships of adolescents.

(iv) কিশোৰ-কিশোৰীৰ সামাজিক সম্বন্ধৰ ক্ষেত্ৰত সমনীয়াৰ প্ৰভাৱ।
Influence of peers in social relationship of adolescents.

(v) সামাজিক সমাযোজনৰ কাৰকবোৰ
Factors of social adjustment.

(৬) **উত্তৰ লিখা (Write answers)**

(i) সামাজিক বিকাশ কি? কিশোৰ-কিশোৰীৰ সামাজিক বিকাশৰ বিষয়ে বৰ্ণনা কৰা।
What is social development? Discuss about the social development of adolescents.

(ii) কিশোৰ-কিশোৰীৰ মাজত সামাজিক সম্বন্ধৰ বিকাশত পৰিয়ালৰ প্ৰভাৱ আলোচনা কৰা।
Discuss the influence of family in developing social relationship among the adolescents.

(iii) কিশোৰ-কিশোৰীৰ মাজত সামাজিক সম্বন্ধৰ বিকাশত সমনীয়াৰ প্ৰভাৱ আলোচনা কৰা।
Discuss the influence of peers in developing social relationship among the adolescents.

(iv) সামাজিকভাৱে পৰিপক্ক ব্যক্তিৰ বৈশিষ্ট্যবোৰ লিখা। কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত শিক্ষকৰ ভূমিকা আলোচনা কৰা।
Write the characteristics of socially mature individual. Discuss the role of teachers in social development of adolescents.

• • •

চতুৰ্থ অধ্যায়

# আৱেগিক আৰু ব্যক্তিত্ব বিকাশ
# (Emotional and Personality Development)

- আৱেগিক বিকাশৰ বৈশিষ্ট্যবোৰ (Characteristics of Emotional Development)
- কৈশোৰ কালত ব্যক্তিত্বৰ পৰিৱৰ্তন (Personality changes during adolescence)
- কৈশোৰৰ সমাযোজনৰ সমস্যাবোৰ (Adjustment Problems of Adolescence)
- সামাজিক সমাযোজনত প্ৰভাৱিত কৰা কাৰকবোৰ (Factors affecting Social Adjustment)

## প্ৰস্তাৱনা (Introduction)

ব্যক্তিৰ জীৱনত আৱেগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু ব্যক্তিৰ ব্যক্তিগত আৰু সামাজিক জীৱনত বৰঙণি আগবঢ়ায়। ব্যক্তিৰ ব্যক্তিত্বৰ সকলোবোৰ দিশতে আৱেগে প্ৰভাৱ বিস্তাৰ কৰে। সকলো জীৱ-জন্তুৱেই নিজ নিজভাৱে আবেগৰ অভিজ্ঞতা বিভিন্ন পৰিস্থিতি সাপেক্ষে অনুভৱ কৰে। পৰিৱেশৰ পৰা পোৱা ইন্দ্ৰিয় অনুভূতিৰ সহায়ত ব্যক্তিয়ে মনত সুখ বা দুখৰ অভিজ্ঞতাৰ সৃষ্টি কৰে। সুখ-দুখৰ অনুভূতি সৃষ্টি কৰিব পৰা আৱেগ হৈছে এক দেহ-মানসিক অৱস্থা। আৱেগৰ ইংৰাজী প্ৰতিশব্দ 'Emotion' লেটিন ভাষাৰ 'Emovere' শব্দৰ পৰা আহিছে। এই শব্দৰ অৰ্থ হ'ল 'to excite' বা 'to agitate' অৰ্থাৎ 'আলোড়িত কৰা বা 'হিন্দোলিত কৰা'। আৱেগ এটা সম্পূৰ্ণ ব্যক্তিনিষ্ঠ মানসিক অৱস্থা আৰু সেয়ে একেটা পৰিৱেশেই বিভিন্ন ব্যক্তিৰ বাবে বিভিন্ন ধৰণৰ আৱেগৰ সৃষ্টি কৰিব পাৰে। বিখ্যাত মনোবিজ্ঞানী উদৱৰ্থৰ মতে, "আৱেগ হ'ল প্ৰাণীৰ এক উত্তেজিত অৱস্থা, আৱেগ অনুভৱ কৰা মানুহজনৰ বাবে ই এক অনুভূতিৰ উত্তেজিত অৱস্থা আৰু বাহিৰৰ নিৰীক্ষকৰ বাবে ই হ'ল সেই ব্যক্তিজনৰ পেশী আৰু গ্ৰন্থিৰ অনিয়মীয়া কাৰ্য'। ব্যক্তি এজনৰ জীৱনৰ প্ৰাৰম্ভিক সময় অৰ্থাৎ শৈশৱ কালৰ পৰাই আৱেগৰ